
সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ৪৪ সংখ্যা, ১৭কাতি , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.44 Date Of Publication - 3 November 2024 Rs.10.00/-

## দীপাৱলীত প্ৰদূষণময় গুৱাহাটী

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ ৰাজ্যত দীপাৱলী উদ্‌যাপন কৰাৰ পাছতে অভাৱনীয় হাৰত বৃদ্ধি পাইছে প্ৰদূষণৰ মাত্ৰা। ন্যায়ালয়ৰ নীতি-নিৰ্দেশনাক উলংঘা কৰি পুৱতিনিশাৰলৈকে ফট্‌কা ফুটোৱাৰ পৰিণতিতে বায়ুৰ মান সূচাংক (একিউআই) বৃদ্ধি পোৱাই নহয়, জনস্বাস্থ্যলৈও নমাই আনিলে ভাবুকি। উল্লেখ্য যে ৩১ অক্টোবৰ আৰু ১ নৱেম্বৰ এই দুটা দিনত ৰাজ্যবাসীয়ে আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰা দীপাৱলীৰ পাছতে প্ৰায় প্ৰতিখন চহৰতে বৃদ্ধি পাইছে প্ৰদূষণৰ মাত্ৰা। ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি ৩১ অক্টোবৰতকৈ ১ নৱেম্বৰত ৰাজ্যৰ বহুকেইখন চহৰত উচ্চ প্ৰাবল্যৰ ফট্‌কা আৰু আতচবাজী ফুটোৱাৰ পাছত নিম্নগামী হৈছে চৌদিশৰ পৰিৱেশ। প্ৰদূষণ নিয়ন্ত্ৰণৰ তথ্য অনুসৰি ১ নৱেম্বৰৰ দিনটোত বায়ুৰ মান সূচাংক ৮০ৰ পৰা ১০০ শতাংশলৈ বৃদ্ধি পায়। ৰাজ্যৰ মুখ্য তিনিখন চহৰ ক্ৰমে নগাঁও,




গুৱাহাটী আৰু নলবাৰীত যোৱা দুটা দিনত একিউআই যথেষ্ট বৃদ্ধি পায়। নগাঁৱত দেৱালীৰ দ্বিতীয় দিনা একিউআই ২২৯লৈ বৃদ্ধি পোৱাৰ বিপৰীতে গুৱাহাটীত একিউআই ১৮৬লৈ আৰু নলবাৰীত ১৬৪লৈ বৃদ্ধি পায়। বিশেষকৈ গুৱাহাটী মহানগৰীত ফট্‌কা ফুটোৱাৰ ক্ষেত্ৰত জিলা প্ৰশাসনে আৰোপ কৰা নিষেধাজ্ঞাৰ পাছতো পুৱতিনিশালৈ উচ্চপ্ৰাবল্যৰ ফট্‌কা ফুটাই সম্পূৰ্ণৰূপে উলংঘা কৰে নিৰ্দেশাৱলী। প্ৰশাসনৰ নীতি-নিৰ্দেশনাক একপ্ৰকাৰ অংগুষ্ঠ প্ৰদৰ্শন কৰি গুৱাহাটীৰ ফাঁচীবজাৰ, পাণবজাৰ, ৰে'লৱে

( নপৃষ্ঠাত চাওক)

## ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰীৰূপে পোৱাটো অসমৰ বাবে ভাগ্যৰ কথাঃ মহাৰাজ শ্ৰী ধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- দ্বিতীয়বাৰৰ বাবে মা কামাখ্যা ধামত বাগেশ্বৰ ধামৰ মহাৰাজ শ্ৰীধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰী। মা কামাখ্যাৰ আশিস ল'বলৈ মা কামাখ্যা ধামলৈ আহিল আধ্যাত্মিক গুৰুগৰাকী। সকলো হিন্দুক একলগ হোৱাৰ আহ্বান জনাই এইগৰাকী আধ্যাত্মিক গুৰুৱে অসমত পদযাত্ৰা কৰিবলৈ পুনৰ আহিব বুলিও মন্তব্য কৰে। মা কামাখ্যাৰ



আশিস লৈ শ্ৰী ধীৰেন্দ্ৰ শাস্ত্ৰীয়ে সনাতন ধৰ্মক ধ্বংস কৰিব খোজাসকলক সতৰ্কবাণী দিয়ে। আধ্যাত্মিক গুৰুগৰাকীৰ মন্তব্য-অসমত মুছলমানৰ জনসংখ্যা বৃদ্ধি পাইছে। মুছলমান সম্প্ৰদায়ে নিয়ন্ত্ৰণহীনভাৱে সন্তান জন্ম দিয়ে। কিন্তু হিন্দুৱে দুটা সন্তানহে জন্ম দিয়ে। অসমত সনাতন ধৰ্মৰ প্ৰচাৰ চলাব বুলি উল্লেখ কৰি কয়- ''হিন্দুৰ দুটা

( নপৃষ্ঠাত চাওক)

## মাজুলীৰ জীৱন্ত ৰাস সমিতিক অতিৰিক্ত ৫০ হাজাৰ টকাকৈ দিব চৰকাৰে

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাস মহোৎসৱলৈ মাজত মাথো কেইটিমান দিন। ইতিমধ্যে আৰম্ভ হৈছে ৰাসৰ আখৰা। ইয়াৰ মাজতে মাজুলীৰ ৰাস উদ্‌যাপন সমিতিসমূহলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছে এক সুখবৰ। মুখ্যমন্ত্ৰী ড°



হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ জীৱন্ত ৰাস উদযাপন সমিতিসমূহলৈ ৫০ হাজাৰ টকাকৈ অতিৰিক্ত অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। পূৰ্বে ঘোষণা কৰা ২৫ হাজাৰ টকাৰ সাহায্যৰ উপৰি এতিয়া মাজুলীৰ জীৱন্ত ৰাস উদযাপন সমিতিসমূহে লাভ কৰিব অতিৰিক্ত ৫০ হাজাৰকৈ টকা। এই কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয় যে অসমৰ আত্মা আৰু সাংস্কৃতিক ভাবমূৰ্তিৰ প্ৰতিনিধিত্ব কৰা মাজুলীৰ ৰাস মহোৎসৱ হৈছে এক জীৱন্ত উদযাপন। আমাৰ

( নপৃষ্ঠাত চাওক)

## উৎসৱৰ বতৰত গুৱাহাটীত সুৰা বিক্ৰীৰ অভিলেখ ভংগ

ৰঙিলী বাৰ্ত্তাসেৱা- নৱবৰ্ষ, ৰঙালী বিহু, বিশ্বকৰ্মা পূজা আৰু দুৰ্গা পূজাৰ পাছত এইবাৰ দীপাৱলী আৰু কালী পূজাতো গুৱাহাটীত হ'ল সুৰাৰ প্লাবন।গুৱাহাটী মহানগৰীত যোৱা দুটা দিনত সুৰাৰ বিক্ৰীয়ে পূৰ্বৰ দীপাৱলীৰ অভিলেখ ভংগ কৰিলে। আবকাৰী বিভাগৰ তথ্য অনুসৰি ৩১ অক্টোবৰ আৰু ১ নৱেম্বৰত গুৱাহাটীত প্ৰায় ৫ কোটি টকাৰ সুৰা বিক্ৰী হয়। উল্লেখ্য যে ৩০ অক্টোবৰৰ সন্ধিয়াৰে পৰা সুৰাৰ বিপণীসমূহত দীঘলীয়া শাৰী পৰিলক্ষিত হৈছিল। দীপাৱলী



আৰু কালী পূজা উপলক্ষে যথেষ্ট আগতীয়াকৈ সুৰা ক্ৰয় কৰা গুৱাহাটীৰ একাংশই যোৱা দুটা দিনত সুৰাৰ সৃষ্টি কৰিলে প্লাবন। মন কৰিবলগীয়া যে এইবাৰ দুৰ্গা পূজাৰ সময়তো সুৰাৰ বিক্ৰীয়ে সৰ্বকালৰ অভিলেখ ভংগ কৰিছিল। দুৰ্গা পূজাৰ চাৰিটা দিনত গুৱাহাটীত প্ৰায় ৩০ কোটি টকাৰ

( নপৃষ্ঠাত চাওক)

# দীপাৱলীৰ আনন্দ-উল্লাসৰ মাজতে খানাপাৰাত ভয়ংকৰ দুৰ্ঘটনা



ৰঙিলী বাৰ্ত্তাসেৱা- দীপাৱলীৰ আনন্দ-উল্লাসৰ মাজতে গুৱাহাটী মহানগৰীত সংঘটিত হ'ল ভয়াৱহ পথ দুৰ্ঘটনা। পুৱতিনিশা প্ৰায় ৩.৪০ বজাত খানাপাৰাত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত দিপিত দে' আৰু কণামিকা নাৰ্জাৰী নামৰ যুৱতীগৰাকীৰ মৃত্যু হয়। এই দুৰ্ঘটনাটোত নিহাৰিকা বসুমতাৰী আৰু গৌতম শৰ্মা নামৰ এগৰাকী যুৱতী আৰু এজন যুৱক আহত হয়। আৰক্ষীয়ে জানিবলৈ দিয়া মতে যোৱাবাটৰ পৰা গণেশগুৰি অভিমুখী এখন তীব্ৰবেগী ক'লা ৰঙৰ স্ক'ৰপিঅ' বাহনে খানাপাৰাৰ তাজ ভিভান্তাৰ সন্মুখত ইউটাৰ্ন ল'বলৈ লোৱা এএছ-০১ ইজি-০৮২০ নম্বৰৰ বাহনখনত খুন্দিয়ায়। দুৰ্ঘটনাটো ইমানেই ভয়াৱহ আছিল যে ক'লা ৰঙৰ স্ক'ৰপিঅ' বাহনখনে খানাপাৰাৰ পদসেতুৰ ৰেলিঙৰে উঠি গৈ পথৰ ওপৰত বাগৰি পৰে। এই ভয়াৱহ পথ দুৰ্ঘটনাটোত ক'লা ৰঙৰ স্ক'ৰপিঅ' বাহনখনৰ চালক দিপিত দে' আৰু বাহনখনত থকা কণামিকা নাৰ্জাৰীৰ ঘটনাস্থলীতে মৃত্যু হয়। বাহনখনৰ আনগৰাকী আৰোহী নিহাৰিকা বসুমতাৰীক আহত অৱস্থাত জিএমচিএইচত ভৰ্তি কৰোৱা হয়। সম্প্ৰতি নিহাৰিকা *( নপৃষ্ঠাত চাওক)*

# 'কা' সমন্বয় সমিতি, অসমৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত কা সমন্বয় সমিতিয়ে এখন সংবাদ মেল সম্বোধন কৰে। উক্ত সংবাদ মেলত তেওঁলোকে চৰকাৰে অসমৰ ৰাইজৰ বিৰুদ্ধে গৈ উন্নয়নৰ নামত কিছুমান নীতি বিৰুদ্ধ কাম কৰিবলৈ যোৱাৰ প্ৰতিবাদত তিনিটা প্ৰস্তাৱ গ্ৰহণ কৰে। অসম চুক্তি ৬ নং দফা ১৯৫১ ৰ সলনি ১৯৭১ চনৰ বিৰোধ আৰু এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰণ। গুৱাহাটী ক্লাব ৰটাৰিস্থিত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তি সেই স্থানৰ পৰা উঠাই আনি টি চি পইন্তৰ ওচৰত ৰাখি থবলৈ ওলোৱা কাৰ্য্যৰ তীব্ৰ বিৰোধিতা আৰু উন্নয়নৰ নামত দীঘলীপুখুৰী পাৰৰ পুৰণি গছবোৰ কাটিব ওলোৱা কাৰ্য্যৰ বিৰোধ। অসমৰ বিভিন্ন ঠাইৰ পৰা থলুৱা লোকক উচ্ছেদ কৰি ৬ লাখ বাংলাদেশী মূলৰ লোকক স্থায়ী নাগৰিকত্ব প্ৰমাণ পত্ৰ দিবলৈ ওলোৱা কাৰ্য্যৰ বিৰোধ। ইয়াৰ উপৰিও 'কা ' আন্দোলন, তথা হিমন্ত বিশ্ব শৰ্মাই এককভাৱে ৰাজ্যত শৈৰাচাৰি শাসন চলোৱাৰ ওপৰতো বিভিন্ন বক্তাই ভাষণ প্ৰদান কৰে। আনহাতে তেওঁলোকৰ এই বিষয় বোৰৰ হকে অসমৰ ৰাইজে সমানে মাত মাটি এক তীব্ৰ আন্দোলন কৰাৰ আহ্বান জনায়। উক্ত সংবাদ মেলত ডঃ হীৰেন গোহাঁই, আহ্বায়ক দেবেন তামুলী, ৰাইজৰ দলৰ আহ্বায়ক ডঃ ঘনশ্যাম নাথ, প্ৰাক্তন অধ্যাপক ডঃ আব্দুল মান্নান, চি পি আইৰ জ্যেষ্ঠ নেতা মুনিন মহন্ত, শঙ্কৰ শইকীয়া, এন চি পিৰ পৰেশ বৰুৱা, কংগ্ৰেছৰ বেদব্ৰত শইকীয়া, জিপাল কৃষক সভাৰ সভাপতি জয়ন্ত গগৈৰ লগতে কেবা গৰাকীমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ কৰিব পাৰি যে এই সংবাদ মেলত ৰূপ কোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ দুই জীয়াৰী ক্ৰমে জ্ঞানশ্ৰী পাঠক আৰু সত্যশ্ৰী দাস উপস্থিত থাকে।

# প্ৰবীণ অভিনেতা, পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্য আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়া চলচ্চিত্ৰ আৰু নাট্য জগতত এক বিশাল শূন্যতাৰ সৃষ্টি কৰি জীৱন নাট সামৰিলে প্ৰসিদ্ধ অভিনেতা তথা পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যই। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা প্ৰবীণ অভিনেতাগৰাকীয়ে গুৱাহাটীৰ দিছপুৰ হাস্পতালত চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯১ বছৰ। যোৱা ২৪ অক্টোবৰত খ্যাতনামা অভিনেতা তথা চলচ্চিত্ৰ পৰিচালকগৰাকীক হাস্পতাল খনত ভৰ্তি কৰোৱা হৈছিল। কিন্তু স্বাস্থ্যৰ অৱনতি ঘটাত ভৰ্তি কৰোৱাৰ এদিন পাছতে অৰ্থাৎ ২৫ অক্টোবৰত কুলদা কুমাৰ ভট্টাচাৰ্যক আইচিইউলৈ স্থানান্তৰ কৰা হয়। অভিনয় জগতৰ পুৰোধা এইগৰাকী বিশিষ্ট ব্যক্তিক সুস্থ কৰি তুলিবলৈ চিকিৎসকে অশেষ প্ৰয়াস কৰে যদিও তেওঁৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে। যাৰ পৰিপ্ৰেক্ষিতত যোৱা ৩০ অক্টোবৰত কুলদা কুমাৰ ভট্টাচাৰ্যক ভেন্টিলেচনত ৰাখি চিকিৎসা প্ৰদান কৰা হয়। চিকিৎসকৰ অশেষ প্ৰচেষ্টায়ো তেওঁক সুস্থ কৰিব নোৱাৰিলে। শুকুৰবাৰে নিশা প্ৰায় ৮.৩০ বজাত অশেষ অনুৰাগীক কন্দুৱাই জীৱন নাটৰ সামৰণি মাৰে এইগৰাকী পুৰোধা ব্যক্তিয়ে। ইয়াৰ লগে লগে ৰাজ্যৰ থিয়েটাৰ আন্দোলনক এক ৰাষ্ট্ৰীয় আন্দোলনত পৰিণত কৰাত সীমাহীন অৱদান আগবঢ়োৱা এজোপা বটবৃক্ষ উভালি পৰিল। হেৰাই গ'ল অভিনয়-পৰিচালনাৰে অসমীয়া নাট্য আৰু চলচ্চিত্ৰ জগতক সমৃদ্ধ কৰা এটি ভোটা তৰা। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰাজ্যৰ সাংস্কৃতিক জগতত শোকৰ ছাঁ পৰে। বহুসংখ্যক বিশিষ্ট ব্যক্তিয়ে দিছপুৰ হাস্পতালত উপস্থিত হৈ তেওঁলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। হাস্পতালৰ পৰা তেওঁৰ নশ্বৰ দেহ মহানগৰীৰ বিহাবাৰীস্থিত বাসগৃহলৈ লৈ যোৱা হ'ব। অৱশ্যে ইলোৰা বিজ্ঞান মঞ্চৰ জৰিয়তে তেওঁ দেহদান কৰি গৈছে বুলিও জানিব পৰা গৈছে। উল্লেখ্য যে কুলদা কুমাৰ ভট্টাচাৰ্যৰ জন্ম হৈছিল ১৯৩৩ চনৰ ১৮ আগষ্টত। গুৱাহাটীৰ পাণবজাৰৰ যশোৱন্ত ৰ'ডত জন্ম গ্ৰহণ কৰা ভট্টাচাৰ্যৰ পিতৃ আছিল- অধিবক্তা কালিপ্ৰসন্ন ভট্টাচাৰ্য আৰু তেওঁৰ মাতৃ আছিল কমলা দেৱী। কুলদা কুমাৰ ভট্টাচাৰ্য ১৯৪৬ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰা ভট্টাচাৰ্যই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। অধ্যয়ন কৰি *( নপৃষ্ঠাত চাওক)*

# বোকাখাতত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত "শৰতৰ চোতালত শাৰদী মেল" শীৰ্ষক অনুষ্ঠান উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ২৬ অক্টোবৰত অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ বোকাখাত শাখাৰ উদ্যোগত বোকাখাতৰ বিশিষ্ট সমাজসেৱক শৰৎ ৰঞ্জন শৰ্মাৰ বাসগৃহত শতাধিক আমন্ত্ৰিত অতিথি শিল্পীৰ উপস্থিতিত গীত-কথা-কবিতা, নাটকীয় সংলাপেৰে 'শৰতৰ চোতালত শাৰদী মেল' শীৰ্ষক গীত, কবিতা, অন্তৰংগ আলাপৰ এক বৰ্ণিল অনুষ্ঠান অনুষ্ঠিত হৈ যায়। বোকাখাত আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ মুখ্য উপদেষ্টা অমৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে অনুষ্ঠানৰ উদ্দেশ্য আৰু আদৰণি ভাষণ আগবঢ়াই বোকাখাত আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ সম্পাদক অংকুৰ বৰঠাকুৰে। উক্ত সভাৰ আদৰণী গীত নিজে ৰচনা, সুৰ আৰু কণ্ঠৰে পৰিবেশন কৰে বোকাখাত শিল্পী সমাজৰ সভাপতি বিশিষ্ট সংগীত শিল্পী বিজয় শৰ্মাই। ইয়াৰ পিছতে বোকাখাতৰ বিশিষ্ট কবি, গীতিকাৰ, সুৰকাৰ, প্ৰতিষ্ঠিত ব্যৱসায়ী শৰৎ ৰঞ্জন শৰ্মাৰ লগতে তেখেতৰ পৰিয়ালবৰ্গক বোকাখাত আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। ইয়াৰ পিছতে গীত আৰু কবিতাৰ অনুষ্ঠান আৰম্ভ কৰা হয়। পুৱতি সাহিত্য সভাৰ সভাপতি অপূৰ্ব বৰদলৈ, জ্যেষ্ঠ নাগৰিক সন্মিলন



বোকাখাত শাখাৰ সভাপতি আনিচুৰ ৰহমান, জ্যেষ্ঠ সাংবাদিক অচ্যুত হাজৰিকা, ৱাৰ্ড মেম্বাৰ প্ৰাঞ্জল বৰুৱা, বিশিষ্ট ক্ৰীড়া সংগঠক বিজয় সন্দিকৈ, সমাজকৰ্মী মনোৰঞ্জন সেন আদিয়ে নিজৰ নিজৰ অনুভৱ ব্যক্ত কৰে। এই অনুষ্ঠানত কবিতা পাঠ কৰে বোকাখাত কবি সন্মিলনৰ সভাপতি নিজৰা বৰঠাকুৰ, সম্পাদক অজন্তা তালুকদাৰ, শৰৎ হাজৰিকা, অনন্যা পূজাৰী, মনালিছা শইকীয়া, মনালিচা পপী শইকীয়া, সিদ্ধেশ্বৰ ডেকা, ৰিজু বড়া হাজৰিকা, পংকজ কালিন্দী, ডঃ বাবুলাল ম'ৰ, অমল দাস, পুৱতি সাহিত্য সভাৰ সম্পাদক গীতাঞ্জলি কলিতা, প্ৰেছ ক্লাৱৰ সভাপতি ভৱানন্দ কলিতা, ৰেৱা গগৈ, ৱবিতা বৰুৱা, উৎপল শৰ্মা, মনিকা বৰুৱা শৰ্মা, নিবেদিতা শৰ্মা, ধনীৰাম কুৰ্মী, কুঞ্জলতা দাস, অমৰ শৰ্মা, মৃদুস্মিতা শৰ্মা আদি কবিসকলে। গীত পৰিবেশন কৰে ক্ৰমে ৰঞ্জিত ৰজক, সৌৰভ হাজৰিকা, কাকলি গোস্বামী, *( দহ পৃষ্ঠাত চাওক)*

# আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া কাপ ২০২৪ ত ৰূপৰ আৰু ব্ৰঞ্জ পদক অৰ্জন অসমৰ দুই যুৱকৰ




ৰঙিলী বাৰ্তাসেৱা- পঞ্চম আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া কাপ ২০২৪ দেশ ভগৎ বিশ্ববিদ্যালয় গোবিন্দগঞ্জত ২৪-১০-২৪ তাৰিখৰ পৰা ২৭-১০-২৪ অক্টোবৰলৈ অনুষ্ঠিত হৈ যোৱা খেলত অসম পুলিচত কৰ্মৰত দুই যুৱকৰ সাফল্য । পঞ্চম আন্তঃৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া কাপ ২০২৪ ৰ গোবিন্দগড় দেশ ভগৎ বিশ্ববিদ্যালয় পাঞ্জাৱত অনুষ্ঠিত (পৰম্পৰাগত যোগাসন অনুষ্ঠান) ২৪ৰ পৰা২৮ বছৰ বয়সৰ গোট পুৰুষৰ শাখাত জুবিন পাও এটা ৰূপৰ পদক আৰু সোমনাথ পাৰাজুলীয়ে এটা ব্ৰঞ্জ পদক অৰ্জন কৰে। দ্বিতীয়তে কলাত্মক একক অনুষ্ঠান ১৮ৰ পৰা ২৮ বছৰ বয়সৰ গোট সোমনাথ পাৰাজুলীয়ে এটা ব্ৰঞ্জ ৰ পদক লাভ কৰে। কলাত্মক যোৰ যোগাসন অনুষ্ঠান ১৮ৰ পৰা ২৮ বছৰ বয়সৰ গোটত জুবিন পাও আৰু সোমনাথ পাৰাজুলীয়ে ব্ৰঞ্জৰ পদক লাভ কৰে । ছন্দময় যোৰ যোগাসন অনুষ্ঠান ১৮ৰ পৰা ২৮ বছৰ বয়সৰ গোটৰ শাখাত জুবিন পাও আৰু সোমনাথ পাৰাজুলীয়ে এটাকৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰে । উক্ত পদক অৰ্জন কৰা যুৱক দুজনৰ ঠিকনা ক্ৰমে সোমনাথ পাৰাজুলীৰ ঘৰ ধেমাজি আৰু জুবিন পাওৰ ঘৰ তিনিচুকীয়া । উল্লেখ্য যে এই সাফল্যৰ পাছত দুই যুৱকৰ প্ৰশিক্ষক অসীম বৰুৱা যথেষ্ট উৎফুল্লিত হৈছে আৰু আগলৈও তেওঁলোকে পদক অৰ্জন কৰি অসমক গৌৰৱান্বিত কৰিব বুলি আশা প্ৰকাশ কৰিছে ।

# হাজোৰ খোপনিকুচিত সংঘটিত হৈছে এক জঘণ্য ঘটনা

ৰঙিলী বাৰ্তাসেৱা- হাজোৰ খোপনিকুচিত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। এটা পৰিয়ালৰ ওপৰত এচিড আক্ৰমৰ দৰে ঘটনা সংঘটিত কৰিলে দুৰ্বৃত্তই। জানিব পৰা মতে দুৰ্বৃত্তৰ এই এচিড আক্ৰমণত আহত হৈছে পৰিয়ালটোৰ তিনিগৰাকীকৈ সদস্য। দুৰ্বৃত্তৰ দলে পৰিয়ালটোৰ কিশোৰীগৰাকীলৈ লক্ষ্য কৰি চলাইছিল এই এচিড আক্ৰমণ।পৰিয়ালটোৰ লোকসকলে জানিবলৈ দিয়া মতে নিশা শুই থকাৰ অৱস্থাত খিৰিকীৰে দুৰ্বৃত্তই এচিড নিক্ষেপ কৰে। প্ৰেমজনিত কাৰণতেই এই ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। স্থানীয় এজন যুৱকে প্ৰেমৰ প্ৰস্তাৱ দি কিশোৰীগৰাকীক বাৰে বাৰে দি আহিছিল বিভিন্ন ভাবুকি। সেয়ে নিজৰ ঘৰত থকাৰ বিপৰীতে খোপনিকুচিৰ মোমায়েকৰ ঘৰত মাতৃৰ সৈতে থাকিবলৈ লৈছিল কিশোৰীগৰাকী। তেনে সময়তেই মঙলবাৰে নিশা খোপনিকুছিৰ মোমায়েকৰ ঘৰতেই এচিড আক্ৰমণৰ বলি হ'ল কিশোৰীগৰাকীৰ লগতে পৰিয়ালৰ আন সদস্য।এচিড আক্ৰমণত আহত কেইগৰাকী ক্ৰমে জাহেদা চুলতানা, মালেকা খাতুন আৰু মনেছ আলী। এই ঘটনাত গুৰুতৰভাৱে আহত তিনিওকে সংকটজনক অৱস্থাত ভৰ্তি কৰোৱা হৈছে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত। নিশা শুই থকা অৱস্থাত খিৰিকীৰে দুৰ্বৃত্তই কৰা এই এচিড আক্ৰমণৰ ঘটনাই এতিয়া সমগ্ৰ অঞ্চলটোত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ।

# ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত “একতাৰ বাবে দৌৰ” শীৰ্ষক সামূহিক দৌৰ কাৰ্যসূচী

ৰঙিলী বাৰ্তাসেৱা- ভাৰতৰ লৌহ মানৱ, আধুনিক ভাৰতৰ অন্যতম নিৰ্মাতা চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্ম বাৰ্ষিকী উপলক্ষে সমগ্ৰ দেশৰ লগতে “ৰাষ্ট্ৰীয় একতা দিৱস”ৰ লগত সংগতি ৰাখি ডিব্ৰুগড়তো জিলা প্ৰশাসনৰ উদ্যোগত ২৯ অক্টোবৰত “একতাৰ বাবে দৌৰ” শীৰ্ষক এক সামূহিক দৌৰৰ আয়োজন কৰা হয়। ডিব্ৰুগড় চৌকিডিঙী খেলপথাৰৰ পৰা মিলননগৰ হৈ দুৰদৰ্শন কেন্দ্ৰ নিৰ্মালী গাওঁলৈকে অনুষ্ঠিত হোৱা এই“একতাৰ বাবে দৌৰ” শীৰ্ষক সামূহিক দৌৰৰ ফ্লেগ অফ কৰে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক




প্ৰশান্ত ফুকনে। অনুষ্ঠানত ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী, জিলা উন্নয়ন আয়ুক্ত অনুপ কুমাৰ ব্ৰহ্ম, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, অতিৰিক্ত জিলা আয়ুক্ত জিন্টু বৰা, মহকুমাধিপতি সদৰ অৰিজিৎ মহাজন, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ, নিৰ্বাচনী বিষয়া প্ৰাঞ্জীল গগৈ, জিলা ক্ৰীড়া বিষয়া চেমী শইকীয়া প্ৰমূখ্যে বহুতো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। “একতাৰ বাবে দৌৰ”ত স্কুলীয়া ছাত্ৰ-ছাত্ৰী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱান, অসামৰিক প্ৰতিৰক্ষা বিভাগৰ জোৱান তথা বিভিন্ন শাখাৰ ক্ৰীড়াবিদসকলে অংশগ্ৰহণ কৰে।

# লায়ন্স ক্লাবৰ উদ্যোগত ‘বিজ্ঞান আলাপ’ সজাগতা সভা



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী চাউথ লায়ন্স ক্লাব, গুৱাহাটী চাউথ লিঅ' ক্লাব আৰু নাৰেঙী লায়নছ ক্লাবৰ উদ্যোগত দক্ষিণ পইন্ট স্কুলৰ সহযোগত ২৯ অক্টোবৰত “বিজ্ঞান আলাপ” নামৰ এখন বিজ্ঞান চেমিনাৰ আয়োজন কৰা হয়। এই চেমিনাৰটো স্কুলৰ চৌহদতে অনুষ্ঠিত কৰা হয় আৰু ই যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ লগতে সমাজত বিজ্ঞানৰ গুৰুত্বৰ বিষয়ে সজাগতা বৃদ্ধি কৰা উদ্দেশ্যেৰে অনুষ্ঠিত হয়। চেমিনাৰত প্ৰতিষ্ঠিত বিজ্ঞানী ডঃ প্ৰিতম বৰঠাকুৰ, ডঃ মৃদুল বৰঠাকুৰ, সম্ৰাট বৰা আদি কেবাজনো বিশিষ্ট লোক উপস্থিত থাকে। বক্তাই বিজ্ঞানৰ সামাজিক প্ৰয়োজনীয়তা, উদ্ভাৱন ক্ষেত্ৰত ইয়াৰ গুৰুত্ব আৰু এক অধিক সজাগ সমাজ গঠনত ইয়াৰ ভূমিকা সম্পৰ্কে নিজৰ চিন্তা-ভাৱনা ব্যক্ত কৰে।চেমিনাৰৰ উপৰিও, বিজ্ঞানৰ সামাজিক প্ৰভাৱৰ ওপৰত প্ৰবন্ধ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলক বিজ্ঞানৰ ভৱিষ্যৎ গঠনত আৰু জীৱন সলনি কৰাত ইয়াৰ ভূমিকা সম্পৰ্কে নিজৰ চিন্তাধাৰা প্ৰকাশ কৰিবলৈ উৎসাহিত কৰে। বিজয়ীসকলক প্ৰশংসা পত্ৰ আৰু বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানটো সফলতাৰে সম্পন্ন হয় আৰু ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত সকলৰ মাজত সমাজৰ উন্নতিৰ বাবে বিজ্ঞানৰ অমূল্য অৱদানৰ বিষয়ে চেতনা বৃদ্ধি কৰাত সহায় কৰে।

# প্ৰকাশ পালে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ খচৰা ভোটাৰ তালিকা

ৰঙিলী বাৰ্তাসেৱা- দেশৰ নিৰ্বাচন আয়োগে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰিছে। অসম আৰু জম্মু-কাশ্মীৰৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত প্ৰকাশ কৰা এই ভোটাৰ তালিকাক লৈ সৃষ্টি হৈছে চৰ্চাৰ। উল্লেখ্য যে ৰাজ্যব্যাপী সমষ্টিভিত্তিক প্ৰকাশ হোৱা এই খচৰা ভোটাৰ তালিকা অনুসৰি অসমত মুঠ ভোটাৰৰ সংখ্যা ২, ৪৬, ২৮, ৬৭৩জন। ইয়াৰে ১, ২৩, ১৬, ৯৫২জন পুৰুষ ভোটাৰ আৰু ১, ২৩,১১,৩৩৪ গৰাকী মহিলা ভোটাৰ। আনহাতে তৃতীয় লিংগৰ ভোটাৰ হৈছে ৩৮৮গৰাকী। প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকা অনুসৰি ১২৬টা বিধানসভা সমষ্টিত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ২৯, ৬৫৬টা। বিগত বৰ্ষৰ তুলনাত এইবাৰ ১, ০৭৭টা ভোটকেন্দ্ৰ বৃদ্ধি পালে। উল্লেখ্য যে ২০২৩ বৰ্ষৰ অন্তিমভাগত প্ৰকাশ পোৱা খচৰা ভোটাৰ তালিকাত ৰাজ্যৰ মুঠ ভোটাৰৰ সংখ্যা আছিল ২, ৪৩,০২,৪৬০জন। ইয়াৰে ১, ২২, ১২, ৪৮৩জন পুৰুষ ভোটাৰ আৰু ১, ২০, ৮৯, ৫৬৯গৰাকী মহিলা ভোটাৰ আছিল। প্ৰকাশ পোৱা ভোটাৰ তালিকা অনুসৰি ৮০ উৰ্ধৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ২, ৯০, ৫৪৮ গৰাকী। আনহাতে ৬০ উৰ্ধৰ মুঠ ভোটাৰৰ সংখ্যা হ'ল ২০,২৫,৬৪৩ গৰাকী। ইয়াৰ বিপৰীতে ১৮-১৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ২, ৫৫, ৫৬২জন। একেদৰে ২০-২৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৬৫, ২৭, ৭১১জন। ৩০-৩৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৬১, ৭২, ৮৯৯জন। ৪০-৪৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৪৯, ৬০, ১৮৫জন। ৫০-৫৯ বয়সৰ ভোটাৰৰ সংখ্যা হ'ল ৩৫,৬০, ৪৩৮জন।

# গুজৰাটত দেশৰ প্ৰথম যুদ্ধ বিমান নিৰ্মাণৰ প্ৰকল্প উদ্বোধন



ৰঙিলী বাৰ্তাসেৱা- গুজৰাটৰ বদোদৰাত টাটা এয়াৰবাছ বিমান নিৰ্মাণ কাৰখানাৰ উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে। টাটা এয়াৰবাছ বিমান নিৰ্মাণ কাৰখানা উদ্বোধন কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে এক বিশাল ৰোডশ্ব'ত অংশগ্ৰহণ কৰে। ভাৰতৰ অসামৰিক পৰিবহণ আৰু প্ৰতিৰক্ষা নিৰ্মাণৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত এই প্ৰকল্পটোত ৫৬ এয়াৰবাছ চি ২৯৫ বিমান নিৰ্মাণ কৰা হ'ব। ইয়াৰে ভিতৰত চুক্তি অনুসৰি বদোদৰাত টাটা এয়াৰবাছ বিমান নিৰ্মাণ কাৰখানাত ৪০খন বিমান নিৰ্মাণ কৰা হ'ব। ভাৰতৰ প্ৰথম ব্যক্তিগত খণ্ডৰ সামৰিক নিৰ্মাণ কাৰখানা টাটা এডভান্সড ছিষ্টেমে স্পেইনৰ সৈতে হোৱা চুক্তি অনুসৰি ৪০খন বিমান নিৰ্মাণ কৰিব। উল্লেখ্য যে ২০২১ চনত ছেপ্টেম্বৰ মাহত ২.৫ বিলিয়ন মাৰ্কিন ডলাৰৰ ঠিকাত চূড়ান্ত হোৱা চুক্তি অনুসৰি টাটা এডভান্সড ছিষ্টেমে ভাৰতীয় বায়ুসেনা বাহিনীক ৪০খন বিমান যোগান ধৰিব। এয়াৰবাছ স্পেইনৰ সৈতে চুক্তি হোৱা টাটা এয়াৰবাছে সামৰিক বিমান নিৰ্মাণ কৰি মেক ইন ইণ্ডিয়া, মেক ফৰ দ্য ৱৰ্ল্ড অভিযানক সফল কৰি তুলিব। এই নিৰ্মাণ কাৰখানা উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজহিতৈষী উদ্যোগপতি প্ৰয়াত ৰতন টাটাক স্মৰণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়- অলপতে আমি দেশৰ সুযোগ্য সন্তান ৰতন টাটাক হেৰুৱালোঁ। যদি তেওঁ আজি আমাৰ মাজত থাকিলেহেঁতেন, তেওঁ অতি সুখী হ'লহেঁতেন। কিন্তু তেওঁৰ আত্মা য'তেই আছে তাতেই তেওঁ সুখী হ'ব। এই চি (দহ পৃষ্ঠাত চাওক)

# ভাৰতীয় পেথ'লজিষ্ট আৰু অণুজীৱ বিজ্ঞানী সন্থাৰ উত্তৰ-পূব আঞ্চলিক অধ্যায়ৰ ৩৩সংখ্যক বাৰ্ষিক সন্মিলন




ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পেথ'লজী বিভাগ আৰু গ্ৰেটাৰ ডিব্ৰুগড় প্ৰেকটিচিং পেথ'লজিষ্ট ফ'ৰামে ২৫, ২৬ আৰু ২৭ অক্টোবৰ তাৰিখে অসম চিকিৎসা মহাবিদ্যালয়ৰ ডাঃ জন বেৰী হোৱাইট প্ৰেক্ষাগৃহ আৰু অইল লেকচাৰ প্ৰেক্ষাগৃহত সুদীৰ্ঘ ১২ বছৰৰ মূৰত ভাৰতীয় পেথ'লজিষ্ট আৰু অণুজীৱ বিজ্ঞানী সন্থাৰ উত্তৰ-পূব আঞ্চলিক অধ্যায়ৰ ৩৩ সংখ্যক বাৰ্ষিক সন্মিলন- নেৰকন ২০২৪ৰ সফল অনুষ্ঠানৰ সামৰণি পৰে। ইয়াৰ পূৰ্বে ২০১২ চনত ডিব্ৰুগড়ত এই সন্মিলন অনুষ্ঠিত হৈছিল। এই বছৰৰ সন্মিলনৰ বিষয়বস্তু আছিল "মৰ্ফ'লজীৰ পৰা কৃত্ৰিম বুদ্ধিমত্তালৈ: পেথ'লজীৰ ভৱিষ্যতক নতুন ৰূপত উজ্জীৱিত কৰা।" ডাঃ মৃণাল কুমাৰ বৰুৱাক সভাপতি, ডাঃ প্ৰণিতা মেধিক অধ্যক্ষা, ডাঃ আদিত্য শৰ্মাক উপ-সভাপতি ডাঃ বেদান্ত ভূঞাক সম্পাদক, ডাঃ মণ্ডিতা বৰগোহাঁইক ভাৰতীয় পেথ'লজিষ্ট আৰু অণুজীৱবিজ্ঞানী সন্থাৰ উত্তৰ-পূব আঞ্চলিক অধ্যায়ৰ সম্পাদক আৰু বৈজ্ঞানিক সমিতিৰ অধ্যক্ষা হিচাপে লৈ আয়োজক সমিতিখন গঠন কৰা হৈছিল। আয়োজক সমিতিৰ পৃষ্ঠপোষক (দহ পৃষ্ঠাত চাওক)

# ষঠ পূজা উদযাপন সন্দৰ্ভত ডিব্ৰুগড় জিলা প্ৰশাসনৰ সভা



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ত আগন্তুক ষঠ পূজা উদযাপন সন্দৰ্ভত বিতং আলোচনাৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁইৰ সভাপতিত্বত ষঠ পূজা উদযাপন সমিতিৰ বিষয়ববীয়াৰ সৈতে এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত ষঠ পূজা উদযাপনৰ বাবে ঘাট নিৰ্ধাৰণ কৰাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ সুবিধা হোৱাকৈ পূজাৰ ঘাটসমূহৰ প্ৰস্তুতি সন্দৰ্ভত বিতংকৈ আলোচনা কৰা হয়। এই ক্ষেত্ৰত জিলাখনৰ আটাইকেইটা ৰাজহচক্ৰৰ চক্ৰ বিষয়াসকলক নিজ নিজ এলেকাৰ অন্তৰ্গত ষঠ পূজাৰ ঘাটসমূহ জলসম্পদ বিভাগৰ বিষয়ববীয়া তথা আৰক্ষীৰ সৈতে যুটীয়াভাবে পৰ্যাবেক্ষণ কৰি ভক্তপ্ৰাণ ৰাইজৰ বাবে সুৰক্ষিত তথা সুবিধাজনক (দহ পৃষ্ঠাত চাওক)

# ৩ দিনৰ বাবে চিবিআইৰ জিম্মাত প্ৰবঞ্চক স্বপ্নীল দাস




ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যত সংঘটিত হোৱা ট্ৰেডিং কেলেংকাৰীৰ সকলো গোচৰ চি বি আইৰ হাতলৈ যোৱাৰ পাছতে ট্ৰেডিং কেলেংকাৰীৰ তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰাখিছে চিবিআই-এ। ইতিমধ্যে এই কেলেংকাৰীৰ তদন্ত প্ৰক্ৰিয়াৰ বাবেই ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা চুমি বৰা, বিশাল ফুকন আৰু তাৰ্কিক বৰাক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰলৈ। তাৰোপৰি পূৰ্বৰে পৰা গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰতে কাৰাৰুদ্ধ হৈ আছে আন কেইবাজনো ট্ৰেডিং কেলেংকাৰীৰে জড়িত। তাৰে ভিতৰত অন্যতম স্বপ্নীল দাস। টি এফ এ এল নামৰ এটা ট্ৰেডিং প্ৰশিক্ষণ প্ৰতিষ্ঠান খুলি প্ৰশিক্ষণ প্ৰদান কৰা স্বপ্নীলৰ বিৰুদ্ধেও উত্থাপিত হৈছিল কেলেংকাৰীৰ অভিযোগ। এই অভিযোগতে কাৰাগাৰত থকা স্বপ্নীল দাসক চি বি আইয়ে নিজৰ জিম্মাত লৈছে। আদালতত হাজিৰ কৰোৱাই স্বপ্নীলক ৩ দিনৰ বাবে নিজৰ জিম্মাত লৈছে চি বি আইয়ে। স্বপ্নীলৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত ৰুজু হৈছিল ৯৩৪/২৪ নম্বৰত এক গোচৰ। এই গোচৰতে নিজৰ জিম্মাত লৈ ইতিমধ্যে আৰক্ষীয়ে জেৰাও কৰিছিল। জেৰাত পোৱা সকলো তথ্যও চি বি আইলৈ হস্তান্তৰ কৰিছে আৰক্ষীয়ে।

# নিৰ্বাচনী ধামখুমীয়াৰ মাজতে চামগুৰিত 'আপ'ৰ সম্পৰ্ক যাত্ৰা




ৰঙিলী বাৰ্তাসেৱা- উপ নিৰ্বাচনক লৈ চামগুৰি বিধান সভা সমষ্টিৰ ৰাজনৈতিক পৰিৱেশ উথপথপ হৈ থকাৰ সময়তে আজি নগাঁও চহৰস্থিত শ্বহীদ ভৱন আৰু চামগুৰিৰ বৰ্মা বজাৰত অনুষ্ঠিত হয় আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ সম্পৰ্ক যাত্ৰা কাৰ্যসূচী। নগাঁও জিলা আপৰ প্ৰাক্তন সভাপতি যুগান্ত কুমাৰ বৰাৰ পৌৰহিত্যত অনুষ্ঠিত সম্পৰ্ক যাত্ৰা কাৰ্যসূচীত আপৰ উত্তৰ পূৰ্বাঞ্চলৰ তত্বাৱধায়ক ৰাজেশ শৰ্মা, চামগুৰিৰ সমষ্টিৰ আপৰ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীৰ লগতে দলৰ ৰাজ্যিক নেতৃবৃন্দ উপস্থিত থাকে। প্ৰায় দুশতকৈ অধিক দলীয় কৰ্মীক সম্বোধন কৰি দলৰ নেতা ৰাজেশ শৰ্মাই দিল্লী আৰু পঞ্জাৱ চৰকাৰৰ আৰ্হিত অসমতো ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে দলৰ কৰ্মী সকলক কাম কৰিবলৈ আহ্বান জনায়। দলৰ মুৰব্বী (দহ পৃষ্ঠাত চাওক)

# তৃণমূল কংগ্ৰেছত যোগদান

ৰঙিলী বাৰ্তাসেৱা- প্ৰাক্তন অ.জা.প. নেতা দুলু আহমেদ, শিশিৰ দেৱ কলিতা, সঞ্জীৱ মহন্তই আজি কলিকতাৰ তৃণমূল ভৱনত অসমৰ ৰাজ্যিক প্ৰভাৰী মলয় ঘটক আৰু সন্মানীয় ৰাজ্যসভাৰ সাংসদ সুস্মিতা দেৱৰ উপস্থিতিত আনুষ্ঠানিকভাৱে অসম তৃণমূল কংগ্ৰেছ দলত যোগদান কৰে। তেওঁলোলোক আটাইকে তৃণমূল কংগ্ৰেছৰ এই বৃহৎ পৰিয়ালটোলৈ আদৰণি জনায়। অনাগত সময়ত সন্মানীয় নেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীৰ সবল নেতৃত্বত উগ্ৰ-সাম্প্ৰদায়িকতাবাদী, স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে একেলগে যুঁজ দি মানৰ সমাজক কল্যাণৰ হকে সদায় কাম কৰি যাব।

**ধাৰাবাহিক গল্প**

# এজন পাগল

শৈলেন কুমাৰ,
মিৰ্জা (কামৰূপ )

অন্তিম খণ্ড

অন্ধকাৰ আঁতৰি পোহৰৰে উজ্জ্বলিত হ'ব লাগিব, আৱৰ্জ্জনা পৰিষ্কাৰ হৈ শুদ্ধ আৰু সচ্ছল হ'ব লাগিব আমাৰ সমাজ। দানৱ, অসুৰৰ বিনাশৰ বাবে কোনোবা নহয় কোনোবাই মাৰবান্ধি থিয় হবই লাগিব। তাকে সমল কৰি অবিনাশে মানৱৰূপী দানৱবোৰৰ ওপৰত জপিয়াই পৰিল আৰু এটা এটাকৈ অপৰাধীক তাৰ উচিত শাস্তি প্ৰদান কৰিবলৈ ধৰিলে। ক্ৰমান্বয়ে পৰশুৰাম চৌধুৰী আৰু চক্ৰধৰ চলিহাৰ সংখ্যাবল কমিবলৈ ধৰাত, চলিহা আৰু চৌধুৰী চিন্তিত আৰু শংকিত হৈ পৰিছে। কি হৈছে এইবোৰ সিহঁতে একোকে ধৰিবলৈ পৰা নাই। অবিনাশৰ উদ্দেশ্য অকল অপৰাধীক শাস্তি প্ৰদান কৰাই নহয় বৰঞ্চ সিহঁতৰ মুখাবোৰ ৰাইজৰ আগত খুলি পৰিচয় কৰি দিয়াৰ। কিন্তু মুখাৰ আৰত মুখা পিন্ধি ভদ্ৰতাৰ পৰিচয় দিয়া সিহঁতবোৰৰ মুখা খুলি পেলোৱাটো অবিনাশৰ বাবে ইমানো উজু নহবো। দক্ষ ৰণনীতি আৰু সুস্থিৰ পৰিকল্পনাৰ দ্বাৰাহে চিকাৰ জালত আহি পৰিব। আৰু আনফালে ৰাতিৰ নিদ্ৰা হৰণ হোৱা চলিহা আৰু চৌধুৰীৰ উত্তেজনা বৃদ্ধি পাইছে। শংকিত হৈ সিহঁতে শত্ৰুক দমন কৰিবলৈ সংখ্যাবল আৰু অস্ত্ৰবল একত্ৰিত কৰিবলৈ উঠিপৰি লাগিছে। কিছুদিন যোৱাৰ পাছত চোৰাংচোৱাই সমস্ত ঘটনাৰ আৰত যে অবিনাশ জড়িত হৈ আছে সেই তথ্য চলিহা আৰু চৌধুৰীক দিলে, তাৰপাছত অবিনাশক যিকোনো প্ৰকাৰে কৰায়ত্ব কৰাৰ নিৰ্দেশ জাৰি কৰা হ'ল। ইতিমধ্যে অবিনাশে চলিহা আৰু চৌধুৰীৰ অপৰাধৰ যি তথ্য দেউতাক সত্যব্ৰত বৰুৱাই সযতনে সগোপনে লুকুৱাই ৰাখিছিলে সেই তথ্য সমূহ অবিনাশে লাভ কৰিবলৈ সক্ষম হৈছে। তথ্য সমূহ অবিনাশে ৰাইজৰ আগত ফাদিল কৰিবলৈ ওলাওঁতে খবৰ আহিল, অবিনাশৰ



মাঁকক অপহৰণ কৰা হৈছে আৰু চহৰৰ পৰা দূৰত সেই জৰাজীৰ্ণ কাৰখানাটোত বন্দী কৰি ৰখা হৈছে। আৰু যদি অবিনাশে অনতিপলমে ধৰা নিদিয়ে তেতিয়া হ'লে মাঁকক হত্যা কৰাৰ ভাবুকি দিয়া হ'ল। অৱশেষত অবিনাশে সিহঁতৰ আগত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল। কিন্তু আত্মসমৰ্পণ কৰাৰ আগতে অপৰাধৰ তথ্য সমূহৰ কপি ইতিমধ্যে অজয়ক অবিনাশে অৰ্পণ কৰিছে। চলিহা আৰু চৌধুৰীৰ গুণ্ডা বাহিনীয়ে অবিনাশক গুৰুলাগুৰুলকৈ পিটি হাতভৰি ভাঙি পেলাইছে। লগতে অপৰাধৰ তথ্যৰ সমস্ত নথিপত্ৰ অবিনাশৰ পৰা কাঢ়ি লোৱা হৈছে। আনহাতে চলিহা আৰু চৌধুৰীৰ সমস্ত কৰ্মকাণ্ড ঘটনাৰ লাইভ টেলিকাষ্ট ইতিমধ্যে টেলিভিছন আৰু সামাজিক মাধ্যমত প্ৰচাৰিত হৈছে। চলিহা আৰু চৌধুৰীৰ মুখ ইতিমধ্যে অবিনাশে খুলি পেলাবলৈ সক্ষম হৈছে। চলিহা আৰু চৌধুৰীৰ এইবোৰ কুকৰ্মৰ কথা গমপাই ৰাইজ স্বতঃস্ফূৰ্ত ভাৱে ওলাই আহি গন্তব্যস্থানলৈ ধাপলি মেলিছে। পলাই সাৰিবলৈ পথ বিচাৰি চলিহা আৰু চৌধুৰীয়ে কাৰখানাটোত অগ্নি নিক্ষেপ কৰি পলাবলৈ চেষ্টা কৰিছে। কিন্তু যথাসময়ত উত্তেজিত ৰাইজৰ ৰোষত পৰে চলিহা আৰু চৌধুৰী, ৰাইজৰ গণ প্ৰহাৰত থিতাতে নিহত হয় গুণ্ডা বাহিনী সহিতে দুই অপৰাধী চলিহা আৰু চৌধুৰী। কিন্তু নিমিখতে ছাঁই হয় জৰাজীৰ্ণ কাৰখানাটো লগতে ভস্মীভূত হয় অবিনাশ আৰু অবিনাশৰ মাতৃ। কিছুদিন যোৱাৰ পাছত অজয়ৰ মোবাইলত এটা মেচেজ আহে, এতিয়াও আচল অপৰাধী মুক্ত আকাশৰ তলত ....?

**(এজন পাগলৰ কাহিনী ইয়াতে সমাপ্ত হ'ল পৰৱৰ্তীকালত এই গল্পৰ দ্বিতীয় ভাগ অজয় চকীদাৰ আৰম্ভ হ'ব।)**

# হে মোৰ প্ৰিয় মানুহ



সত্যজিত গগৈ, চাচনি, ডিব্ৰুগড়

তোমাৰ সংস্পৰ্শত
বিচাৰি পাইছো
এমুঠি সুখ।
দুৰ-দুৰণিৰ পৰা অহা
এজাক সুগন্ধি বতাহে
মোৰ মনত দি গৈছে
আশা ভৰা সপোনৰবোৰ।
একতা আৰু দৃঢ়তাৰে
ৰচনা কৰোঁ আহা
আমাৰ হেঁপাহৰ ঘৰখন....

# বালি ভাত



অনামিকা (সংগীতা)কলিতা,গুৱালকুছি

শৈশৱৰ ৰং ধেমালিৰে ভৰা জীৱনটো কোনেও পাহৰিব নোৱাৰে! বয়স বাঢ়ি আহিলেও সেই স্মৃতি হৃদয়ৰ একোণত থাকে যুগমীয়া হয়।

এতিয়াৰ পৰা পাঁচটা দশকৰ আগৰ কথা সেই সময়ত প্ৰায়ভাগ মানুহৰ ঘৰুৱা অৱস্থা ঠিক নাছিল। এহাল মাক-দেউতাকৰ আজিৰ দৰে এটা বা দুটা সন্তান নহয় কেইবাটাও সন্তান জন্ম দিছিল। গতিকে আৰ্থিক অভাৱ অনাতন এয়াও প্ৰধান কাৰণ, তাৰ কাৰণে ল'ৰা-ছোৱালীক অভিভাৱকে ভালদৰে শিক্ষা দীক্ষা তথা ভৰণ পোষণ দিবলৈ সামৰ্থ নাছিল। তথাপিও তেতিয়াৰ সন্তানৰ নৈতিক স্খলন হোৱা নাছিল। অশিক্ষিত পিতৃ-মাতৃ হ'লেও তেতিয়া নীতি-শিক্ষা প্ৰতিখন ঘৰৰ পৰাই পাইছিল।

মৃনাল, পদুম, ৰত্ন সকলো সমনীয়া একেলগে স্কুলত যায়। স্কুলৰ পৰা আহি সময় পালেই ঘৰুৱা কামতো পিতৃ-মাতৃক সহায় কৰে। সেই সময়ত আজিৰ দৰে ঘৰত বিজুলী বাতি বা ভাত ৰন্ধা ইত্যাদি খাদ্য বনাব'লৈ গেছ বা সৌৰ শক্তি বা ইলেক্ট্ৰিক সামগ্ৰীৰ আধুনিক সুবিধা নাছিল। মাটিৰ চৌকাত খৰিৰে জুই ধৰি ভাত চাহ সকলো তৈয়াৰ কৰিছিল। তাৰ কাৰণে বহুত খৰি মজুত ৰাখিব লাগিছিল। মৃনাল হঁতেও সকলো সমনীয়াই লগ হৈ বৰলুইতৰ তীৰত বা পাহাৰত খৰি কাটিবলৈ গৈছিল লগতে সিহঁতে দুপৰীয়া ভাতসাজ খোৱাৰ কাৰণে দাইল, চাউল, চৰু সকলো যোগাৰ কৰি নিছিল।

সেই সময়ত লুইতৰ তীৰত বা লুইতৰ চাপৰি দেখিলেই মন ভৰি যায়। নদীৰ কাষে কাষে নাওবোৰ বন্ধা থাকে আৰু কি ধুনীয়া সেউজীয়া এখন দলিচাৰ দৰে কাঁহিবন/ঝাঁওবে অসংখ্য ভৰি আছিল। ডাঙৰ ডাঙৰ ঝাঁও বোৰ কাটি এবোজা কৰি ঘৰলৈ লৈ আহিছিল। সেইবোৰ শুকাই ৰ'দাই ঘৰৰ ৰন্ধা বঢ়াৰ সহায় হৈছিল। সিহঁতৰ শৈশৱৰ কৈশোৰ কালৰ অনেক হাঁহি ধেমালি পাৰ হৈছিল আৰু কেতিয়াবা ভয়ংকৰ বিপদৰো সন্মুখীন হৈছিল।

এবাৰ মৃনাল তাৰ বন্ধুসকলে নাওঁ লৈ গৈছিল খৰি আনিব আৰু পাৰিলে এসাজ সকলোৱে মাছ মাৰি লুইতৰ চাপৰিত বালি ভাত খাব আৰু কিছু মাছ ধৰি ঘৰলৈও লৈ আহিব। আগে পিছেও সিহঁতে তেনেদৰে মাছ মাৰে, খৰি কাটি সংগ্ৰহ কৰে ঘৰৰ কাৰণে চাপৰিত তিৰপালৰ তম্বু বনাই তাত জিৰণি লৈ খানা খাই খেলা-ধূলা কৰে সন্ধিয়াৰ আগে আগে নাওখন লৈ ঘৰ পায়। কিন্তু সিদিনা সিহঁতৰ নাওখনে দিশ হেৰুৱাই নদীৰ মাজতে বৈ গ'ল। শেষত ঈশ্বৰৰ নাম লৈ দক্ষিণ দিশত পাৰত লাগিল এতিয়া ক'ত কি বনাই খাই ইফালে সময়ো বহুত খিনি পাৰ হৈছে নদীৰ পানীকে খাই প্ৰভু ঈশ্বৰৰ নাম লৈ নাও মেলি দিলে। ইফালে ধুমুহা এজাকে গোটেই নৌখন চৌৰ কোবাল সোঁতত নাওখনত পানী ভৰি পৰিল সিহঁতৰ বুকু দুৰু দুৰুকৈ কপি উঠিল তথাপি ঈশ্বৰক স্তুতি কৰি নাওৰ পানী সিঁচি সিহঁতে নিজৰ গন্তব্য স্থান পালে। পাই হেৰুৱা জীৱন ওভতাই পোৱাৰ দৰে লাগিল। ঘৰ আহি পোৱাত গোটেই কেইটাই বাপেকৰ ছেকেনীৰ কোব খালে। তেনেকৈয়ে বন্ধু বৰ্গৰ সৈতে ৰং ধেমালি আৰু ঘৰুৱা কামো কৰে ভায়েক ভনীয়েক হতকো চোৰাচিতা কৰে পঢ়াশুনা চলাই নিয়ে মৃনালে।সময়ত মেট্ৰিক পাছ কৰিলে আৰু সৌভাগ্য উদয় হ'ল চৰকাৰী চাকৰি পালে মনঃপুত বিভাগতে। ঘৰখনৰ দায়িত্বও নিয়াৰিকৈ পালন কৰাৰ উপৰিও সমাজৰো এজন লেখত ল'বলগীয়া নাগৰিক।

কিন্তু যেতিয়া নিৰলে সময় অতিবাহিত কৰে সোনালী শৈশৱৰ সেই মধুৰ স্মৃতিবোৰে মৃনালক দেহ মন পুলকিত কৰি তোলে। পিছত বাস্তৱৰ কঠোৰ ছবিখন নিজৰ দায়িত্ব আৰু কৰ্তব্য সোঁৱৰাই দিয়ে--

# এনেকৈয়ে ভাগেনে সপোন

পৰিস্মৃতা বৰা হাজৰিকা,
নিকিনিখোৰা গাঁও,মাজুলী



সেউজীয়া বাগানৰ মাজে মাজে ধুলি উৰুৱাই আগবাঢ়িছে নীলিম বৰুৱাৰ গাড়ীখন। চাৰিওফালৰ সেউজীয়া পৰিবেশটোৱে মনটো পোহৰাই তুলিলে নীলিমৰ। মনত হাজাৰ প্ৰশ্ন লৈ আগবাঢ়িছে প্ৰেমিকাৰ ঘৰলৈ। সৰুতেই মাক দেউতাকক হেৰুৱাই অনাথ হোৱা নীলিমে আজি নিজেই লৈ আহিছে নিজৰ বিয়াৰ প্ৰস্তাৱ। যিমানেই আগবাঢ়িছে গাড়ীখন সিমানেই কপিব ধৰিছে বুকুখন। বাৰে বাৰে মানস পটত ধৰা দিছে মাক দেউতাকৰ মুখখন। বাগানৰ মাজতেই গাড়ী ৰখাই নামিল নীলিম। চহৰৰ এজন উচ্চপ্ৰদস্থ বিষয়া হৈয়ো কিয় সাহস হেৰুৱাইছে আজি ? ঘামি উঠা মুখখন মচি উপভোগ কৰিলে চাহ বাগানৰ সেউজীয়া । দুৰৰ পৰা ভাহি আহিছে বাগানিয়া গাভৰুৰ মন পৰসা গীতৰ কলি।

স্মৃতাই আধাখোলা খিড়িকী খনেৰে চাই আছে বাহিৰৰ আকাশখন । আবেলি ঘৰমুখী চৰাই বোৰ চাই স্মৃতাৰ মনটো সেমেকি উঠিল। কৃষ্ণচূড়া ৰঙা ৰঙে পলকতে হাঁহি বিৰিঙালে তাইৰ মনত। চাই থাকোতেই লাহে লাহে আন্ধাৰে চাটি ধৰিলে বাহিৰৰ সেই সৌন্দৰ্য। বতৰটো গোমা। মাজে মাজে গাজনি মাৰিছে। কিয় জানো ভাল লাগিছে সেই পৰিবেশ। এজাক শীতল বতাহে চুই গ'ল স্মৃতাৰ দেহ - মন। কৰবাৰ পৰা ভাহি অহা বনৰীয়া ফুলৰ গোন্ধে মতলীয়া কৰি গ'ল তাইৰ চঞ্চল মন। হাজাৰ দুখৰ মাজতো সুখৰ সন্ধান পাই তাই বিৰিঙি উঠিল এটা মিচিকিয়া হাঁহি।

দেউতাকৰ নয়নৰ মণি স্মৃতা বৰুৱা। পুজিপতি ব্যৱসায়ী ৰঞ্জন বৰুৱাৰ দুহিতা। টকাৰ অভাৱ নোপোৱাকৈ ডাঙৰ হল স্মৃতা আৰু ভনীয়েক পুজা। সৰুতেই মাকক হেৰুৱাই অনাথ হোৱা স্মৃতা আৰু পুজাই শৈশৱ পাৰ কৰিলে শ্বিলংৰ হোষ্টেলত। সিহঁতে মাকৰ অভাৱ অনুভৱ কৰিব নাপাওতেই দ্বিতীয় বিবাহ কৰালে দেউতাকে। বহুত মৰম কৰিছিল মাকে দুয়োজনীকে। স্কুলৰ বন্ধৰ সময়বোৰ পাৰ কৰিছিল মাক দেউতাকৰ সৈতে। এদিন সিহঁতৰ মাজলৈ পল আহিল। মাক ব্যস্ত হৈ পৰিল পলৰ সৈতে। মাকৰ সময়ৰ অভাৱ হল স্মৃতা আৰু পুজাৰ বাবে। দেউতাক যোৱালৈ আগ্ৰহেৰে বাট চাই আছিল দুয়োজনীয়ে। লগৰ ছোৱালীবোৰে মাক - দেউতাকৰ লগত হাঁহি স্ফূৰ্তি কৰা দেখিলে হিয়া ফাটি যায় স্মৃতা আৰু পুজাৰ। গেটত ৰৈ পাৰ কৰা স্কুল বন্ধৰ সেই মুহূৰ্তবোৰ আজিও সজীৱ হৈ আছে সিহঁতৰ হৃদয়ৰ নিভৃত কোণত।


বা, কি ভাবি আছনো? ল' তোৰ বাবে মই জালুক দি চাহ বনাইছো - পুজাৰ মাতত ঘুৰি চালে স্মৃতাই। খিড়িকী খন জপাই ওলাই আহিল স্মৃতা। এজাক পাতল বৰষুণ। তিতিবৰ মন গল তাই কিন্তু বৰ্ষাশিক্ত এই পৰিবেশ আজিকালি ভাল নলগা হৈছে স্মৃতাৰ। বাৰাণ্ডাৰ খুটাতে আউজি চাহ কাপ খাইছে স্মৃতাই। বাৰে বাৰে মনলৈ আহিল মাকৰ মুখখন। তাইৰ কাষত মাক থকা হলে আজি তাই ইমান কষ্ট সহ্য কৰিব নালাগে। সন্তানৰ সুখ দুখৰ মুহূৰ্তবোৰত কিয় মাকক প্ৰয়োজন হয় বাৰু ? দেউতাক থাকিও নাইকিয়াৰ দৰেই স্মৃতাৰ বাবে। ব্যৱসায়ৰ ব্যস্ততাই আতৰাই নিছে দেউতাকৰ সানিধ্যৰ পৰা। মাহেকৰ মুৰত টকা কেইটা দিয়েই দায়িত্ব সামৰিছে তেওঁ। মাকৰো মৰমকণা বোৰ কমি আহিল লাহে লাহে। পলৰ উপস্থিতিয়েই সিহঁতৰ দূৰত্ব কমাই আনিলে মাক দেউতাকৰ পৰা। অবুজ বেদনাই মুহাৰি পেলালে স্মৃতাৰ অন্তৰখন। পুজাৰ মলিন মুখখনলৈ চালে হাহাকাৰ কৰি উঠে স্মৃতাৰ অন্তৰ। সঁচাই আইৰ সমান কোনো নাই এই পৃথিৱীত।

মাকৰ ফটো খন চাই দুখত ভাগি পৰিল স্মৃতা। কিয় এৰি গল ইমান সোনকালে? লগৰ ছোৱালীবোৰে মাকৰ কথা কোৱা শুনিলে দুখত ভাগি পৰে স্মৃতা। কলেজৰ পৰা অহাৰ পৰাই কতোৱে মন বহুৱাব পৰা নাই তাই। এখন কলেজৰ নাম জ্বলা অধ্যাপিকা মিচ স্মৃতা। আজি তাইৰ বহুত বছৰৰ সপোন পূৰণ হবলৈ ওলাইছে । বিয়াৰ কথা পাতিবলৈ আহিছে নীলিম। কলেজতে চিনাকি হৈছিল দুয়ো। নীলিমৰ কথা মনত পৰাত মনটো কিবা এটা ভাল লাগি গল স্মৃতাৰ। মানস পটত ভাহি আহিল সেই দিনটো, যত লগ পাইছিল নীলিম বৰুৱাক। হয়তো সেইদিনা ভগৱানেই পঠাই দিছিল স্মৃতাৰ কাষলৈ নীলিমক দেৱদূত হিচাপে আৰু তেতিয়াৰে পৰাই চিনাকি দুয়ো। প্ৰেমিক হিচাপে কম দিনহে লগ পাইছে যদিও ভাল বন্ধুত্ব আছে সিহঁতৰ মাজত।

অ' বা- কি ভাবি আছনো ? আমাৰ বায়ে ভিনদেউৰ কথা মনত পেলাই অকলেই হাঁহি আছে। ভনীয়েকৰ মাততহে সম্বিৎ ঘুৰি আহিল স্মৃতাৰ । অ' বা ভিনদেউৰ ইমান দেৰি হৈছে, ফোন এটা লগাছোন - পুজাই কোৱাতহে স্মৃতাৰ মনত পৰিল। দুপৰীয়াই ফোন কৰা। কত বা পালেহি ? কথাষাৰ কৈয়ে স্মৃতা সোমাই গৈছিল ভিতৰলৈ।

বা, বা আহাচোন, টি ভিত কি দিছে এইবোৰ - ভায়েকৰ মাতত উধাতু খাই দৌৰিলে স্মৃতা আৰু পুজা। মাহীমাক আৰু দেউতাকেও অসমীয়া চেনেলত বাতৰি চাই আছে । স্মৃতাক দেখি উচুপি উঠিল দেউতাক। মাজনী, সকলো শেষ হৈ গল। কি হৈছে দেউতা? সকলোকে দেখি অবুজ সাথৰ যেন লাগিল স্মৃতাৰ। মাকে আঙুলিয়াই দিয়াত তায়ো টি ভি লৈ চালে। কি এক্সিডেন্ট! সন্মুখৰ পৰা অহা এখন দ্ৰুতবেগী বাহনে খুন্দিয়াই দিলে নীলিমৰ গাড়ী। বাতৰিটো দেখি শিলপৰা কপৌৰ দৰে থিয় হল স্মৃতা। ভৰিতলৰ মাটি কণো শেষ হৈ গল স্মৃতাৰ। লগে লগে চিঞৰি উঠিল তাই। মিছা, মিছা, টি ভিৰ পৰ্দাত দেখা সকলো মিছা। নিজকে বিশ্বাস কৰিব নোৱাৰি চিঞৰি উঠিল স্মৃতা। নীলিমৰ তেজেৰে লুতুৰি পুতুৰি শৰীৰটো বাৰে বাৰে টি ভিত দেখি সহ্য কৰিব পৰা নাই তাই। সকলো সপোন শেষ হৈ গল স্মৃতাৰ । ইমান দিনৰ সকলো আশা নিয়তিয়ে কাঢ়ি নিলে স্মৃতাৰ পৰা। নীলিমৰ অবিহনে কেনেকৈ সম্পূৰ্ণ স্মৃতাৰ জীৱন। চাৰিওফালে আন্ধাৰে বেৰি ধৰিলে স্মৃতাক। কান্দি কান্দি ঢলি পৰিল তাই ।

# দিব্যজ্যোতি নাথৰ কাব্যসংকলন “নৈঃশব্দত সৰাপাতৰ চকুলো”




নাজমল হুছেইন ভূঞা,ঢেকিয়াজুলি, শোণিতপুৰ

কবি, গল্পকাৰ দিব্যজ্যোতি নাথৰ প্ৰথমখন কাব্যগ্ৰন্থ ‘নৈঃশব্দত সৰাপাতৰ চকুলো’ পঢ়াৰ সৌভাগ্য হ'ল। স্কুলীয়া দিনৰে পৰা সাহিত্যচৰ্চাৰ সৈতে জড়িত থকা দিব্যজ্যোতি নাথে পূৰ্বেও এখনি সুস্বাদু গল্প সংকলন ‘সপোনে কি দিলে’ প্ৰকাশ কৰি উলিয়াইছে। বিভিন্ন কাকত, আলোচনী, স্মৃতিগ্ৰন্থত নিয়মীয়া লেখা-মেলা কৰাৰ সমান্তৰালকৈ তেখেতে কেইবাখনো স্মৃতিগ্ৰন্থ আৰু আলোচনীৰ সম্পাদনাৰ সৈতে জড়িত হৈ সাহিত্যৰ ক্ষেত্ৰখনত স্ব-প্ৰতিভাৰে নিজা পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে।

জ্ঞানজ্যোতি পুথিঘৰৰ হৈ মৃনাল শইকীয়াই প্ৰকাশ কৰা নাথৰ ‘নৈঃশব্দত সৰাপাতৰ চকুলো’ কাব্য সংকলনখনিত প্ৰধানতঃ সাম্প্ৰতিক সময়ৰ কেতবোৰ সমস্যা, আশা-বেদনা-প্ৰেম, মূল্যবোধ, মানবীয়তাবোধ, নৈতিকতা ইত্যাদি ভালেমান বিষয়ক কেন্দ্ৰ কৰি ৰচিত কবিতাই স্থান লাভ কৰিছে ‘নৈঃশব্দত সৰাপাতৰ চকুলো'ত।

হৃদয়ৰ সূক্ষ্ম অনুভূতিক কল্পনা শক্তিৰে শব্দৰ মালা গাঁথি সৃষ্টি কৰা ভিন্নস্বাদৰ বাচকবনীয়া দুকুৰি চাৰিটা কবিতা এই গ্ৰন্থখনিত অন্তৰ্ভুক্ত হৈছে। প্ৰতিটো কবিতাতেই সাম্প্ৰতিক সমাজ জীৱনৰ একোটিকে সুন্দৰ কল্পচিত্ৰ প্ৰকট হৈছে। অতিমাৰী ক'ভিড কালত সমগ্ৰ বিশ্বত দেখা দিয়া ভয়-শংক, আৰ্তনাদ, হাহাকাৰ আদিৰ এক স্বৰূপাৰ্থত ছবি প্ৰস্ফুটিত হোৱা কেতবোৰ কবিতাও কবি নাথেৰ গ্ৰন্থখনিত অন্তৰ্ভুক্ত কৰিছে। ক'ভিড কালৰ আৰ্তনাদ, হাহাকাৰৰ, ভয়-শংকৰ কৰুণ ব্যথাভৰা কিছু কবিতা হ'ল- তোমাৰ অসুখ বোলে/গৃহবন্দী/ভয়/কালান্তক সময়ৰ কবিতা/নিজামুদ্দিন মাৰ্কাজৰ এটি অনুভৱ/ ক্ৰোধান্বিত পৃথিৱীৰ প্ৰতিশোধ আদি।

কবিসকল মানুহ-সমাজ-প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ। তেওঁলোকৰ হেংদাংৰূপী কলমৰ তীক্ষ্ণ ফালে উদঙাই দিব সমাজৰ বহু অকথ্য প্ৰকৃত স্বৰূপ, থকা-সৰকা কৰিব পাৰে অহিত হাবিয়াসীৰ ভেটি। লাঞ্ছিত-বঞ্চিত-নিষ্পেষিত, আৰ্তনাদত ক্ষোভিত জনতাৰ মনোবাঞ্ছাৰ এক সৱল প্ৰতিবাদী প্ৰতীক কবিৰ কলম। তেনে ভাবাপন্ন কবিতাও কবি দিব্যজ্যোতি নাথৰ কাব্য সংকলনখনত দেখা যায়। তেনে সামাজিক দায়বদ্ধতাৰ সবল কল্পচিত্ৰ অংকন কৰা কবিতা কেইটা হ'ল-সপোন যেন ঘৰবোৰৰ পদুলিলৈ সন্ধ্যা নামিছে / বাগৰ সলোৱা নৈখনৰ কথাৰে / বাঁহবোৰৰ আয়ুস টুটি আহিছে / সময়ৰ শিল/ পানীত টৌ, টৌত পানী/ মঠঙা শালিৰ ভঁৰাল ভৰাবলৈ আদি।

শোণিতপুৰ আৰু ওদালগুৰি জিলাৰ সীমামূৰীয়া অঞ্চল জোৰাদিয়াত থকা ঐতিহাসিক কঢ়াপুখুৰীৰ পাৰত অৱস্থিত অসমজ্যোতি কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ দিব্যজ্যোতি নাথে কৰ্মব্যস্ততাৰ মাজেৰেই মনৰ তাগিদাত শব্দৰ মোহত আৱদ্ধ হৈ নিয়মীয়া সাহিত্য চৰ্চা অব্যাহত ৰাখিছে। প্ৰকৃতিৰ সূক্ষ্ম উপাদানক কাব্যিক দৃষ্টিৰে ভূষণ সানি কবি নাথে সৃষ্টি কৰি গৈছে লালিত্যপূৰ্ণ কবিতা। ‘নৈঃশব্দত সৰাপাতৰ চকুলো’ কাব্যগ্ৰন্থখনিৰ পৃষ্ঠা সুশোভিত কৰা প্ৰকৃতিৰ লাৱণ্য সুবাস বিলোৱা কবিতা-পাহাৰখনৰ সেউজীয়াবোৰ বুকুৰ ভিতৰলৈ সোমাই আহিছে/ফাগুনে বং সানিলে/ কল্পনাৰ বগলীজাক উৰি আছে/শাওনৰ ৰাতিৰ কবিতা ইত্যাদি অন্যতম।

(আঠ পৃষ্ঠাত চাওক)

# নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষা

দ্বীপেন বৰুৱা



শিক্ষাই শক্তি। প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শিক্ষা হৈছে মানৱ জীৱনৰ চালিকা শক্তি। শিক্ষাই মানুহৰ জীৱনৰ দিক নিৰ্ণায়কৰ ভূমিকা পালন কৰে। প্ৰতিখন দেশে নিজ নিজ দেশৰ উন্নতিৰ বাবে এক নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰে। স্বাধীনোত্তৰ ভাৰততো "ৰাষ্ট্ৰীয় শিক্ষা নীতি" অভিধাৰে নিৰ্দিষ্ট কিছুমান শিক্ষানীতি গ্ৰহণ কৰি আহিছে আৰু প্ৰয়োজন সাপেক্ষে সময়ে- সময়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি সলনি হৈছে। ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে সদায় এটা নিৰ্দিষ্ট জাতীয় পৰিচয় বৰ্তাই ৰাখিছে।

২০২০ চনৰ ২৯ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন ভাৰতৰ কেন্দ্ৰীয় কেবিনেটে নতুন ৰাষ্ট্ৰীয়. শিক্ষা নীতিত অনুমোদন জনায়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ প্ৰাক্তন অধ্যক্ষ কৃষ্ণস্বামী কস্তুৰীৰংগনৰ অধ্যক্ষতাত প্ৰস্তুত কৰা এই নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০য়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ৰূপান্তৰৰ বাবে এক ব্যাপক দৃষ্টিভংগী আগবঢ়াইছে। ইয়াত ব্যক্তিত্বৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই নতুন শিক্ষানীতিয়ে মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰিছে। পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষাৰ্থীক নিজৰ ৰাজ্যৰ মাতৃভাষাতে পাঠদান কৰাৰ পৰামৰ্শ আগবঢ়াইছে। সংস্কৃত আৰু অন্যান্য বিদেশী ভাষাকো গুৰুত্ব প্ৰদান কৰিছে। এই শিক্ষা নীতিয়ে শিক্ষাৰ্থীৰ ওপৰত কোনো ভাষা বলপূৰ্বকভাৱে প্ৰয়োগ নকৰে।

ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি- ২০২০ৰ লক্ষ্য হৈছে বৰ্তমানৰ শিক্ষাব্যৱস্থাক বহনক্ষমভাৱে এখন সমতাপূৰ্ণ আৰু সজীৱ জ্ঞান সমাজলৈ ৰূপান্তৰিত কৰাৰ লগতে সকলোকে উচ্চমানৰ শিক্ষা প্ৰদান কৰা। ইয়াৰ জৰিয়তে শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষা(Early Childhood Care and Education)ৰ গুণগত মানদণ্ড শক্তিশালী কৰাৰ ওপৰতো বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে যাতে এটি শিশুৱে শিক্ষাৰ সঠিক ভেঁটি স্থাপন কৰিব পাৰে। এই অনুসৰি প্ৰথম শ্ৰেণীত প্ৰৱেশ কৰা সকলো শিশুৱে যাতে সাক্ষৰতা আৰু সাংখ্যিক দক্ষতাৰে বিদ্যালয়ৰ বাবে সাজু হয়, তাৰ বাবে ২০৩০ চনৰ লক্ষ্যৰে শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষা সাৰ্বজনীনকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

সহজভাৱে ক'বলৈ গ'লে শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষাই শিশু এটি মাতৃগৰ্ভত থিতাপি লোৱাৰ পৰা ছবছৰলৈকে শিশুটিৰ স্বাস্থ্য, পৰিপুষ্টি তথা যতনৰ কথাকেই সূচায়। তদুপৰি ইয়াৰ জৰিয়তে শিশুসকলক সোনকালে শিকাৰ সুবিধা প্ৰদান কৰা হয়। প্ৰায় তিনিবছৰ সম্পূৰ্ণ হোৱাৰ লগে-লগেই এটি শিশু প্ৰাক-প্ৰাথমিক বিদ্যালয় নতুবা অংগনবাড়ী কেন্দ্ৰত অন্তৰ্ভুক্ত হোৱাৰ পাছত শিশুটিৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ শুভাৰম্ভ হয়। ইয়াতেই শিশুৰ সৰ্বাংগীন বিকাশৰ লগতে শিশুক এটি সুৰক্ষিত পৰিৱেশ প্ৰদান কৰে য'ত শিশুয়ে খেল-ধেমালিৰ মাজেদি শৈক্ষিক ক্ৰিয়া-কলাপৰ বিভিন্ন সুবিধা লাভ কৰে। এটি শিশুৱে প্ৰাক-প্ৰাথমিক স্তৰত উপনীত হোৱাৰ পৰাই শিশুটিৰ বৃদ্ধি আৰু বিকাশৰ স্তৰসমূহ নিৰীক্ষণ, শিশুৰ মনোগ্ৰাহী শৈক্ষিক কাৰ্যসূচীত অংশগ্ৰহণ, ঘৰুৱা পৰিৱেশ, শিশুটিৰ পৰিয়াল নাইবা ওচৰ-চুবুৰীয়াৰ লগত আদান-প্ৰদান আদিৰ বিষয়ে তথ্য সংগ্ৰহ আৰু অভিভাৱকৰ লগত মত-বিনিময়ৰ জৰিয়তে প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ মান নিৰূপণ কৰা সম্ভৱ। এনে প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৰ আগ্ৰহ, প্ৰয়োজন, সামৰ্থ, অভিজ্ঞতা আদি সম্পৰ্কে জানিব পাৰি। এনে স্তৰৰ মান নিৰূপণ যথাৰ্থ আৰু বিকাশ ভিত্তিক হোৱা উচিত। ইয়াৰ আধাৰ হৈছে শিশুৰ নিয়মীয়া, বাস্তৱভিত্তিক অভিজ্ঞতা কালত তেওঁলোকে প্ৰদৰ্শন কৰা প্ৰকৃত পাৰদৰ্শিতা।

শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষাক আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত একত্ৰিত কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০য়ে শৈশৱৰ পৰা প্ৰাথমিক শিক্ষালৈকে নিৰৱচ্ছিন্ন পৰিৱৰ্তনৰ পৰিকল্পনা কৰিছে। ই শিশুৰ শিক্ষণ যাত্ৰাত ধাৰাবাহিকতা আৰু সংহতি লাভ কৰাত সহায় কৰিব। নতুন শিক্ষা নীতিত ৫+৩+৩+৪ ব্যৱস্থা প্ৰৱৰ্তনৰ জৰিয়তে স্কুলীয়া শিক্ষাৰ সফল পৰিসমাপ্তিৰ পৰিকল্পনা কৰিছে। ইয়াৰে প্ৰথম পাঁচ বছৰ শিক্ষাৰ প্ৰাৰম্ভিক পৰ্যায় (Foundation Stage) নাইবা শৈশৱৰ শিশুৰ যতন আৰু শিক্ষা বুলি ধৰা হৈছে, তাৰে প্ৰথম তিনিবছৰ প্ৰাক-প্ৰাথমিক শিক্ষাৰ অন্তৰ্ভুক্ত কৰা হৈছে।

যিসকল শিশু প্ৰাক-প্ৰাথমিক শিক্ষাৰ অভিজ্ঞতা লাভ নকৰাকৈ প্ৰাথমিক বিদ্যালয়ত প্ৰৱেশ কৰে, সেই শিশুৱে নিজৰ পৰিৱেশ আৰু বিদ্যালয়ৰ পৰিৱেশৰ মাজত এক বিৰাট পাৰ্থক্য উপলব্ধি কৰে। এই পাৰ্থক্যই শিশুৰ মনত লাজ, ভয় আৰু শংকাৰ ভাৱ আনি দিয়ে। ইয়াৰ ফলত বহুতো শিশুৱে প্ৰাথমিক শিক্ষা সম্পূৰ্ণ নকৰাকৈ বিদ্যালয় ত্যাগ কৰিব পাৰে। প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত ই এক অন্তৰায় হিচাবে দেখা দিয়ে। গৱেষণাৰ দ্বাৰা প্ৰমাণিত যে এটি শিশুৰ প্ৰাৰম্ভিক অৱস্থা অৰ্থাৎ গৰ্ভধাৰণৰ পৰা ছবছৰলৈকে শিশুৰ স্নায়ুতন্ত্ৰ অধিক সক্ৰিয় হৈ থাকে আৰু মগজুৰ বিকাশ দ্ৰুতগতিত হয়। প্ৰায় ৯০% মগজুৰ বিকাশ এই সময়ছোৱাৰ ভিতৰতে সম্পন্ন হয়। সেয়েহে এই সময়ছোৱাত এক উপযুক্ত পৰিৱেশ প্ৰদান কৰিব পাৰিলে শিশুৰ শাৰীৰিক, ভাষিক, বৌদ্ধিক আৰু সামাজিক-আৱেগিক, সৌন্দৰ্যবোধ আৰু সৃজনীশীল বিকাশ অধিক হয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০য়ে শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষাৰ বাবে খেলা-ধূলাভিত্তিক আৰু কাৰ্যকলাপমুখী শিক্ষাবিজ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰাৰম্ভিক বছৰবোৰত অভিজ্ঞতাভিত্তিক শিক্ষণৰ প্ৰয়োজনীয়তাক স্বীকাৰ কৰে। প্ৰাক-প্ৰাথমিক বিদ্যালয় নাইবা অংগনবাড়ী কেন্দ্ৰৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া আনুষ্ঠানিক প্ৰাথমিক বিদ্যালয়ৰ দৰে নহয়। ইয়াত শিশুসকলক পঢ়া, লিখা আৰু অংক কৰোৱাৰ পৰিৱৰ্তে পৰৱৰ্তী পৰ্যায়ৰ শিক্ষা গ্ৰহণৰ বাবে শাৰীৰিক আৰু মানসিকভাৱেহে প্ৰস্তুত কৰি তোলা হয়। ইয়াত শিশুৱে যাতে নিজৰ ভাল পোৱা ধৰণৰ আৰু তেওঁলোকৰ ঘৰুৱা জীৱনত নোপোৱা কিছুমান অভিজ্ঞতা আহৰণ কৰিব পাৰে, তাৰ সুযোগ দিয়া হয়। যেনে- সমনীয়াৰ লগত কথা-বতৰা পতা, সাধু শুনা, চাৰিওফালৰ পৰিৱেশ পৰ্যৱেক্ষণ কৰিবলৈ সুবিধা পোৱা, হাতেৰে বিভিন্ন বস্তু স্পৰ্শ কৰি নাম ক'বলৈ দিয়া ইত্যাদি। এই বয়সত শিশুৱে বিমূৰ্ত ধাৰণা কৰিব নোৱাৰে। পোনপটীয়াকৈ লাভ কৰা অভিজ্ঞতাৰ পৰাহে শিকিব পাৰে। খেল-ধেমালি আৰু ক্ৰিয়া-কলাপৰ জৰিয়তে লাভ কৰা এই অভিজ্ঞতাসমূহক বিভিন্ন ধৰণেৰে আৰু বিশেষ উদ্দেশ্যৰে গঢ় দি লোৱা হয়। প্ৰধানতঃ শিশুক কেন্দ্ৰ কৰিয়েই এই ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰা হয়। এনেদৰে শিশুৱে অভিজ্ঞতা আহৰণ কৰা কাৰ্যত অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলে মাথোন পথ-প্ৰদৰ্শকৰ ভূমিকাহে পালন কৰে।

অন্তৰ্ভুক্তিকৃত শিক্ষা নতুন শিক্ষা নীতিৰ এটা মূল উদ্দেশ্য। এই শিক্ষাই সকলো শিশুকে শিক্ষণ-শিকন প্ৰক্ৰিয়াত সমভাৱে ভাগ লোৱাৰ সুবিধা প্ৰদান কৰে। এক কথাত ক'বলৈ গ'লে শাৰীৰিক, বৌদ্ধিক, মানসিক বাধাগ্ৰস্ত শিশুৰ লগতে বেলেগ-বেলেগ ভাষা-ভাষী তথা জাতি, ধৰ্ম, বৰ্ণৰ ল'ৰা- ছোৱালীক প্ৰয়োজন সাপেক্ষে শিক্ষা দিয়াৰ বাবে অন্তৰ্ভুক্তিকৃত শিক্ষা হৈছে এক বাস্তৱ আৰু বৈজ্ঞানিক প্ৰয়াস। এই শিক্ষাই সকলো শিশুৰে প্ৰতি গ্ৰহণীয় মনোভাৱ আৰু তেওঁলোকৰ বিশেষ প্ৰয়োজনসমূহ বুজি উঠাৰ পৰিৱেশ প্ৰদান কৰে। লগতে ই শিশুসকলৰ মাজত সমতাৰ ধাৰণাৰ লগতে অন্যান্য সামাজিক গুণসমূহ, যেনে- একতা, প্ৰেম, ভ্ৰাতৃত্ববোধ, সহানুভূতি, সহযোগিতা আদিৰ ধাৰণা বিকাশত সহায় কৰে। বৰ্তমান সময়ত এই শিক্ষাই সমাজত পৰিৱৰ্তনৰ সূচনা কৰাৰ লগতে এখন বৈষম্যহীন সমাজ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

শিশুৰ জীৱনৰ প্ৰাৰম্ভিক সময়খিনি বৰ গুৰুত্বপূৰ্ণ। শিশুৰ সামগ্ৰিক বৃদ্ধি আৰু বিকাশৰ কাৰণে এক উপযুক্ত পৰিৱেশৰ অতি প্ৰয়োজন। সেয়েহে অংগনবাড়ী কেন্দ্ৰসমূহত এক শিশু অনুকূল পৰিৱেশ গঢ়ি তুলিবলৈ বৰ্তমান চৰকাৰে নানান পদক্ষেপ হাতত লৈছে। আহল-বহল কোঠাযুক্ত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ স্থাপনৰ জৰিয়তে প্ৰাক-প্ৰাথমিক শিক্ষাক এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ যত্ন কৰিছে। ইয়াৰ ফলত শিশুৰ ঘৰুৱা পৰিৱেশ আৰু অংগনবাড়ী কেন্দ্ৰৰ মাজত যোগসূত্ৰ স্থাপন হোৱাৰ লগতে শিশুসকলক অংগনবাড়ী কেন্দ্ৰৰ প্ৰতি অধিক আগ্ৰহী কৰি তুলিব। ঘৰৰ সুস্থ পৰিৱেশেও শিশুৰ ব্যক্তিত্ব গঠনত প্ৰভূত অৰিহণা যোগায়। প্ৰাক- প্ৰাথমিক শিক্ষাৰ পৰিকল্পনাৰ সফল ৰূপায়ণৰ বাবে অংগনবাড়ী কৰ্মী, অভিভাৱক তথা সমাজৰ অন্যান্য ব্যক্তিসকলৰো সহায়-সহযোগিতাৰ প্ৰয়োজন।

নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ য়ে অংগনবাড়ী কৰ্মীসকলৰ সামৰ্থ্য বিকাশৰ যোগেদি শিশুসকলৰ গুণগত প্ৰাক-প্ৰাথমিক শিক্ষা আৰু যতনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই শিক্ষা নীতিৰ জৰিয়তে দ্বাদশ আৰু তাৰ ওপৰৰ শিক্ষাগত অৰ্হতা থকা অংগনবাড়ী কৰ্মীসকলৰ বাবে ছমাহৰ প্ৰমাণপত্ৰযুক্ত পাঠ্যক্ৰমৰ পৰামৰ্শ দিছে। স্মৰ্তব্য যে সমগ্ৰ দেশৰ ভিতৰত অসমতেই পোনপ্ৰথম অংগনবাড়ী কৰ্মীসকলৰ বাবে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ৰ আধাৰত ছমহীয়া প্ৰমাণপত্ৰযুক্ত পাঠ্যক্ৰম আৰম্ভ কৰিছে। ৰাজ্যিক শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (SCERT) মহিলা আৰু শিশু বিকাশ বিভাগ, অসমৰ সতে যৌথভাৱে এক পাঠ্যক্ৰম প্ৰস্তুত কৰিছে। উক্ত পাঠ্যক্ৰমত শিশুসকলৰ উচ্চমানৰ প্ৰাক-প্ৰাথমিক শিক্ষা আৰু যতনৰ ব্যৱস্থা কৰা, প্ৰাৰম্ভিক বছৰবোৰত বিকাশ আৰু উত্তৰণ, অংগনবাড়ী কেন্দ্ৰত পাঠ্যক্ৰম, শিক্ষা-বিজ্ঞান, শ্ৰেণীকোঠা ব্যৱস্থাপনা আৰু শিক্ষণ মূল্যায়ণ, সামাজিক অংশগ্ৰহণ, সৰ্বাত্মক শিক্ষা, শিশুৰ অধিকাৰ আৰু সুৰক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এই পাঠ্যক্ৰমৰ লক্ষ্য হৈছে অংগনবাড়ী কৰ্মীসকলৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে উচ্চমানৰ প্ৰাক-প্ৰাথমিক শিক্ষা আৰু যতন প্ৰদান কৰি শিশুৰ সৰ্বাংগীন বিকাশ সাধন কৰা। এই ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে শিশুৰ প্ৰাক-শৈশৱকালীন যতন আৰু শিক্ষাৰ গুৰুত্বক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিৱৰ্তন আনিবলৈ প্ৰযত্ন কৰিছে। আশা কৰিব পাৰি যে সাৰ্বজনীন প্ৰৱেশ, খেল-ধেমালিভিত্তিক শিক্ষণ, উপযুক্ত প্ৰশিক্ষণ আৰু নামভৰ্তিক অগ্ৰাধিকাৰ দি এই শিক্ষা নীতিয়ে শিশুসকলৰ এক সুন্দৰ শৈক্ষিক যাত্ৰাৰ বাবে শক্তিশালী ভেঁটি গঢ়ি তুলিবলৈ সক্ষম হ'ব।

# ঋতুয়ে ঋতুয়ে অহা চৰাই বোৰ



**মিতালি বৰঠাকুৰ,মালিগাঁৱ**

সুন্দৰ চৰাই বোৰ প্ৰকৃতিৰ এক অনবদ্য উপহাৰ সৃষ্টিকৰ্তাৰ। প্ৰতিটো ঋতুৰ আগলি বতৰা কঢ়িয়াই আনে চৰাই -চিৰিকতি বোৰে। প্ৰকৃতিৰ এই অনিৰ্বচনীয় চৰাই- চিৰিকতি বোৰ এতিয়া দুৰ্লভ হৈ পৰিল নেকি! অতীতৰ ৰং বিৰংগী চৰাই বোৰ আজি স্মৃতিৰ পটত হেৰাই গ'ল নেকি বাৰু!

পোক পৰুৱা , পশুপক্ষী, আদিৰে শুৱনি হৈ থাকে গাঁৱলীয়া জীৱন। পুৱাৰ বাতৰি চৌদিশে মুখৰিত হয় এজাক চৰাইৰ মধুৰ কাকলিত। ককা, আইতাই আগতে অদূৰত মতা চৰাইৰ মাততে চিনিব পাৰিছিল সেইটো কি চৰাই। আঘোন, পুহ মাহত নৈৰ পাৰত দৈকলা চৰাইয়ে বালিত পাখি মেলি মেলি ৰ'দ লৈছিল। সিহঁতৰ ক'লা পাখিবোৰত সোণালী ৰ'দ পৰি চিকচিকাই উঠিছিল। শৰতৰ আগলি বতৰা লৈ আহিছিল এজাক বালিমাহী। চাপৰি বিলাকত হালধীয়া হৈ ফুলি থকা সৰিয়হ তলীত অসংখ্য ৰং বিৰঙি চৰাইয়ে ভিৰ কৰিছিলহি। শালী ধানৰ কঁঠীয়া তলীত হাজাৰ হাজাৰ ভাটো চৰাইয়ে ধাননি ঢাকি ধৰিছিল। যেতিয়া ভাটৌৰ জাকটো উৰি গৈছিল যেন এটুকুৰা সেউজীয়া ডাৱৰহে নীলা আকাশত ওপঙি আছে। জেঠৰ নিজম দুপৰীয়া আম গছৰ আঁৰত লুকাই মতা কুলি চৰাইৰ হৃদয়ত দোলা দিয়া কু উ কু উ সুৰৰ মূৰ্চনা, ডাৱৰীয়া গোমা বতৰত দলপোঙা চৰাইৰ করুণ বিননি এতিয়া হ্ৰাস পাই আহিছে। হেমন্তৰ অস্তমিত সুৰুযৰ ৰঙা বোল গাত সানি উৰি যোৱা এজাক সন্ধিয়াৰ বগলীৰ নয়নাভিৰাম দৃশ্যও এতিয়া বিৰল হ'ল।

মানুহে সেউজীয়া বনানি উপয্যুপৰি কাটি বিনষ্ট কৰিছে আমাৰ চৌপাশৰ পৰিবেশ। গছ গছনিৰে ভৰা পাহাৰবোৰ লুপ্ত হৈ তাত ওখ ওখ অট্টালিকাই স্থান পাইছে। আমাৰ ঘৰ বোৰে আধুনিকতাৰ প্ৰলেপ পোৱাৰ বাবে সেউজীয়া হৈ থকা চোতাল নাইকীয়া হ'ল। ফলত ঘাঁহনিত ঘৰ পতা কীট পতংগ নাইকীয়া হ'ল। চৰাই চিৰিকতি ক্ষন্তেক জিৰাবলৈ গছৰ অভাৱ পৰিলক্ষিত হ'ল। আজিৰ প্ৰজন্মই হয়তো বালি মাহী, ফেঁচুলুকা, হেঁটুলুকা, সখীয়তী, কামচৰাই, শালিকা, দৰিক, শৰালি, শামুক ভঙা, গঙ্গাচিলনি, টুনী , মৌপিয়া, কণামুচৰি, শিলকপৌ, ধনেশ, পৰঘুমা, চাকৈ চকোৱা, তেলীয়া সাৰেং আদি অনেক ৰং বিৰঙী চৰাই দেখিবলৈ পোৱা নাই।

আজি এইবোৰ ধূসৰ স্মৃতি হৈ কিতাপৰ পাততহে সীমাবদ্ধ। এই চৰাই বোৰৰ মধুৰ গুঞ্জনতে পৃথিৱীৰ সৌন্দৰ্য নিহিত হৈ থাকে। কিয়নো চৰাইবোৰ হ'ল প্ৰতিটো ঋতুক মালাৰ দৰে গাঁঠি ৰখা এডাল সোণালী সূতা। সেয়ে আমি সময় থাকোঁতেই পৰিবেশৰ ওপৰত গুৰুত্ব দি গছ গছনিৰে সেউজীয়া পৰিৱেশ গঞ্জুতিলিবলৈ প্ৰয়াস কৰিব লাগে। য'ত আমি বিচাৰি পাম জীৱনৰ সঞ্জীৱনী সুধাৰ এখন সেউজী ধৰণী।

# জোনাক নমা সন্ধিয়া

**ইভা গন্ধীয়া ফুকন**



জোনাক হেনো নামিব আজি সন্ধিয়া
জোনাকৰ বৰষুণত তিতিছানে কেতিয়াবা
উহুঁ, নাই তিতা
মইও তিতা নাই
আহিবা আজি সন্ধিয়া
জোনাকৰ বৰষুণত তিতিম দুয়ো
বিছাৰিম জীৱনৰ মাদকতা
আপোন পাহৰা হৈ চাই ৰ'ম
চিকমিক শৰগৰ তৰা
শব্দৰ ভাষা চকুৰে বুজিবা
নিশাৰ নিস্তব্ধতাত
শুনিবা হৃদয়ৰ কোলাহল
ঠুনুকা মনৰ ৰুণুক- জুণুক শব্দ
তাতে বিচাৰি পাবা জীৱনৰ ছন্দ
চকুৰ পতাৰ উদ্বিগ্নতা আঁতৰাই
লিখিম জীৱন জীয়াৰ অঘোষ মন্ত্ৰ
দেওদি নচা জোনাকী পৰুৱাৰ নাচোনত
খহিব বুকুৰ দেৱাল
তলে তলে বৈ থকা উৎকণ্ঠা শিহৰণ
উৰ্বৰা হৈ সেউজী হ'ব
মনৰ শালৰ ফুল তুলি থকা
উলট- পালট ব্যস্ত মাকোঁয়ে
অতৃপ্তিয়ে বিচৰা তৃপ্তি বা
তৃপ্তিয়ে বঢ়োৱা অতৃপ্তিৰ ফুল বাচিব !!

# মানুহৰ সহ্য শক্তি আৰু সমাজ




**দীক্ষিতা দাধৰা ,পুৰণিগুদাম, নগাওঁ**

মানুহ হৈছে সামাজিক প্ৰাণী, সেয়েহে সমাজখন কোনেও বাদ দিব নোৱাৰে। বৰ্তমান সময়ত মানুহৰ সহ্য শক্তি আৰু উদাৰতা বিপজ্জনকভাৱে কমি আহিছে। লগতে সমাজখন হৈ পৰিছে অসহিষ্ণু। এই সময়ত কোনোৱেই নৃশংস অপৰাধ কৰিবলৈ কুণ্ঠাবোধ নকৰে। ভগৱান স্বৰূপ চিকিৎসকেই অতি নিষ্ঠুৰভাৱে হত্যা কৰিবলৈও ভয় নাই। ইয়াৰ লগতে ঘৰুৱা হিংসাবোৰো বাঢ়ি আহিছে, কেতিয়াবা যদি যৌতুকৰ লোভ আকৌ কেতিয়াবা সন্তানৰ, লাগিলে দোষ যাৰেই হওক কিন্তু বলি হয় কেৱল নাৰীগৰাকী। নাৰীৰ ওপৰত নিৰ্যাতন যে কোনো কালেই বন্ধ নহব। এইবোৰৰ একমাত্ৰ কাৰণ 'সহ্য শক্তি'ৰ অভাৱ । বৰ্তমান সময়ত স্কুল কি ? কলেজ কি? কোনো পাৰ্থক্য নাই, কেৱল মাত্ৰ সংঘাত। সৰু থাকোঁতে শুনিছিলো কলেজবোৰত হে ডাঙৰ ডাঙৰ ল'ৰাবোৰে কাজিয়া কৰে। কিন্তু এতিয়া স্কুল সমূহও সমানে আগবাঢ়িছে এই কাজিয়া পেচালবোৰৰ দিশে।এখন স্কুলৰ ইমানেই উদণ্ড ল'ৰা যে উদ্ভণ্ডালিৰ ফল স্বৰূপে প্ৰধান শিক্ষকে পদত্যাগ কৰিবলৈ বাধ্য হয়। আচলতে আজিৰ দিনত শিক্ষকৰ তথা প্ৰকৃত শিক্ষাৰ মূল কমি আহিছে কাৰণ, আজিৰ সময়ত 'কৃত্ৰিমতা' অথবা 'আৰ্টিফিচিয়েল' (artificial) বস্তুবোৰ বৃদ্ধি পাবলৈ ধৰিছে। 'এ আই' (AI) অৰ্থাৎ 'আৰ্টিফিচিয়েল ইন্টেলিজেনচ' (Artificial Intelligence), এক অদ্ভুত আৱিষ্কাৰ যত খুব কম সময়তে সকলো প্ৰশ্নৰ উত্তৰ বিচাৰি উলিয়াব পাৰি, মানৱ সৃষ্টিৰ এক বিৰাট সফলতা কিন্তু ভৱিষ্যতৰ দিশে এক ভয়ানক পৰিণতিৰ আগজাননী, ঠিক মেৰী চেলীৰ (Mary Shelley)'ফ্ৰেংকেনষ্টাইন'ৰ (Frankenstein) দৰে, যদি শুদ্ধভাৱে ব্যৱহাৰ কৰিব নোৱাৰে তেতিয়া শেষত উদ্ভাৱকৰেই ক্ষতি হোৱাটো নিশ্চিত। লগতে অভিভাৱক সকলেও নিজৰ সন্তানক এক প্ৰতিযোগিতামূলক পৃথিৱীত জীয়াবলৈ বাধ্য কৰাইছে, যিয়ে নিজৰ বন্ধু অথবা আত্মীয়ৰ লগত এক শীতল যুদ্ধত লিপ্ত কৰাইছে। এইবেলি নীতি শিক্ষাৰও মূল নাই, শিক্ষকৰ হাত বন্ধা, শাসন এতিয়া অপৰাধ! এখন উচ্চ শাখীৰ বিশ্ববিদ্যালয়, ছাত্ৰও মেধাবীয়েই কিন্তু তাতেই আকৌ কাজিয়া, মাৰ-পিট। কাৰণবোৰ একেই সহ্য শক্তি ও ধৈৰ্য্য কম ; কোনেও কাৰো কথা শুনিব নিবিচাৰে । সমসাময়িক ভাৱে বিভিন্ন ধৰ্মীয়, জাতিগত সংঘাত

*(বাৰপৃষ্ঠাত চাওক)*

# দিব্যজ্যোতি নাথৰ

কবি দিব্যজ্যোতি নাথে স্মৃতিৰ খিলাপাতত দীপ্তিমান সোণোৱালী শৈশব-কৈশোৰ, চহা আৰু গ্ৰাম্য জীৱনৰ মধুৰ স্মৃতিক কাব্যিক ভাষাৰে ব্যক্ত কৰি ৰচিছে কেইবাটাও কবিতা। কেনিনো হেৰাল শৈশৱৰ উন্মুকনিবোৰ/ সময় শিল/ যৌৱনৰ বা-মাৰলি/কল্পনাৰ বগলীজাক উৰি আহে ইত্যাদি কবিতাকেইটাত তেনে ৰসৰ প্ৰৱাহিত হৈছে।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে দিব্যজ্যোতি নাথৰ 'নৈঃশব্দত সৰাপাতৰ চকুলো' এখন সুখপাঠ্য কাব্য সংকলন। আচলতে সমাজে এনে কবিতাকেই প্ৰাধান্য দিয়ে। কাব্য সংকলনখনৰ আহি পাঠত দুই-এটা আসোঁৱাহ বৈ যোৱা দেখা যায়। তেজপুৰৰ 'দৰদী দিচাং'ত মুদ্ৰিত গ্ৰন্থখনৰ বেটুপাত অংকন কৰিছে বাপধন কলিতায়। গাম্ভীৰ্যপূৰ্ণ অৰ্থবহ মনোগ্ৰাহী বেটুপাতেৰে সমৃদ্ধ মুঠ আঠাবন্ন পৃষ্ঠাৰ সংকলনখনৰ মূল্য নিৰূপণ কৰিছে এশ পঞ্চাচ টকা। গ্ৰন্থখন কাব্যানুৰাগীয়ে সাদৰেৰে আদৰি ল'লে কবি দিব্যজ্যোতি নাথৰ শ্ৰম সাৰ্থক হোৱাৰ লগতে উৎসাহিত হ'ব আৰু নিৰৱচ্ছিন্ন কাব্যচৰ্চা অব্যাহত ৰখাৰ লগতে কবি দিব্যজ্যোতি নাথৰ মননশীল কবিতাৰ সৃজন অধিক তীব্ৰতৰ হৈ উঠিব।।

# দীপাৱলীত প্ৰদূষণময়

কলনী, অম্বিকাগিৰী নগৰত পুৱতিনিশালৈ ফুটিল প্ৰবল প্ৰাবল্যৰ ফট্কা। যাৰ পৰিণতিত ৰে'লৰে কলনীত একিউআই ১৮৯লৈ, অম্বিকাগিৰী নগৰত ১৩৭লৈ, পাণবজাৰত ১৩৪লৈ, গুৱাহাটী বিমানবন্দৰত ১৮৪লৈ বৃদ্ধি পায়। মন কৰিবলগীয়া যে প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে বায়ুৰ মান সূচাংক ৫০ৰ পৰা ১০০ ভিতৰত থাকিলে স্বাভাৱিক বুলি উল্লেখ কৰিছে যদিও যোৱা দুটা দিনত যি হাৰত বায়ু প্ৰদূষিত হ'ল, ইয়ে জনস্বাস্থ্যলৈ ভাবুকি কঢ়িয়াই অনাই নহয়, হাপানী বা শ্বাস- প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত বহু লোকৰ বাবে অশনি সংকেত কঢ়িয়াই আনিছে। বায়ুৰ মান সূচাংক ১০০ৰ পৰা ১৫০লৈ বৃদ্ধি পালে শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ থকা লোকে উশাহ-নিশাহত কষ্ট পোৱাই নহয়, ইয়াৰ ফলত অজ্ঞান হৈ পৰাৰো সম্ভাৱনা আছে। সেইদৰে বায়ুৰ মান সূচাংক ১৫১ৰ পৰা ২০০লৈ বৃদ্ধি পালে ভয়ানক স্বাস্থ্য সংকটৰ সন্মুখীন হ'ব পাৰে। একেদৰে ২০০ৰ পৰা ৩০০লৈ বায়ুৰ মান সূচাংক বৃদ্ধি পালে জনস্বাস্থ্যৰ প্ৰতি ভয়ংকৰ ভাবুকি হোৱাৰ সম্ভাৱনা। এনে সতৰ্কবাণীৰ পাছতো যোৱা ৰ নৱেম্বৰত গোলাঘাট, মাৰ্ঘেৰিটা, নগাঁও, নলবাৰী, তেজপুৰ, তিনিচুকীয়াত একিউআই ১০১ৰ পৰা ২০০ৰ ভিতৰত আছিল। প্ৰদূষণ নিয়ন্ত্ৰণৰ তথ্য অনুসৰি ৰ নৱেম্বৰৰ নিশা ১১.০০ বজালৈ গুৱাহাটীৰ বায়ুৰ মান সূচাংক ৩৮৩লৈ বৃদ্ধি পাইছিল। অৱশ্যে পৰৱৰ্তী সময়ত এই সূচাংক হ্ৰাস পায় যদিও জনস্বাস্থ্যক ক্ষতি কৰিব পৰা প্ৰদূষিত বায়ুৱে ২ নৱেম্বৰলৈ গুৱাহাটীক প্ৰদূষিত কৰি ৰাখে।

# ড° হিমন্ত বিশ্ব শৰ্মাক

সন্তানেই যথেষ্ট, এই ধাৰণাৰ বিপৰীতে মুছলমানে ১২টাকৈ সন্তান জন্ম দিছে। যাৰ বাবে তেওঁলোকৰ জনসংখ্যা বৃদ্ধি পাইছে, ভোটবেংক বৃদ্ধি পাইছে। আইন সকলোৰে বাবে সমান হ'ব লাগিব। হিন্দুক খ্ৰীষ্টান ধৰ্মত ধৰ্মান্তৰিত কৰাৰ ষড়যন্ত্ৰ চলিছে। অসমলৈ আকৌ আহিম, পদযাত্ৰা কৰি হিন্দুক একেলগ কৰিম।" আনহাতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উচ্চ প্ৰশংসা কৰি তেওঁ কয়-ড° হিমন্ত বিশ্ব শৰ্মা মোৰ ভাতৃ, এনেকুৱা এগৰাকী মুখ্যমন্ত্ৰী পোৱাটো অসমৰ বাবে সৌভাগ্যৰ কথা। অসমলৈ আহি মুখ্যমন্ত্ৰীৰ সৈতে পদযাত্ৰাৰে সনাতন ধৰ্মৰ প্ৰচাৰ চলাম। মা কামাখ্যা ধামত বাগেশ্বৰ ধামৰ মহাৰাজ ধীৰেন্দ্ৰ কৃষ্ণ শাস্ত্ৰীক সংগ দিয়ে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই।

# প্ৰবীণ অভিনেতা, পৰিচালক

থকা সময়ছোৱাত তেওঁ সাংস্কৃতিক জগতৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু নাট্য আন্দোলনৰ সৈতে জড়িত হৈ পৰিছিল। অধ্যয়নৰ সমান্তৰালভাৱে অভিনয়তো তেওঁ সমানে গুৰুত্ব আৰোপ কৰিছিল। স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ পাছত তেওঁ এমবিএ অধ্যয়নৰ বাবে লণ্ডনৰ লীডছলৈ যায়। কিন্তু এমবিএ পঢ়াৰ পৰিৱৰ্তে তেওঁ পিতৃৰ পৰামৰ্শ মতে মঞ্চৰ কৌশল সম্পৰ্কীয় এক ডিপ্ল'মা পাঠ্যক্ৰমত নামভৰ্তি কৰে। ডিপ্ল'মা লাভ কৰাৰ পাছত ব্ৰিটিছ ড্ৰামা লীগত তেওঁ প্ৰডাকচন ডিজাইন বিষয়ত তিনি সপ্তাহৰ এক প্ৰশিক্ষণ পাঠ্যক্ৰম গ্ৰহণ কৰে। তেওঁ ১৯৬০ চনত জাৰ্মানীৰ হামবাৰ্গলৈ গৈ টেলিভিছন কেন্দ্ৰ এটাত প্ৰশিক্ষণ আৰম্ভ কৰে। ১৯৬১ চনৰ জানুৱাৰীত তেওঁ জাৰ্মানীৰ পৰা ভাৰতলৈ উভতি আহে। প্ৰথমে তেওঁ দিল্লীৰ এটা ইংৰাজী থিয়েটাৰ গ্ৰুপৰ সৈতে কাম কৰিবলৈ আৰম্ভ কৰে। দিল্লীত থকাৰ সময়ছোৱাতে ভট্টাচাৰ্যক এজন বন্ধুৱে আকাশবাণীৰ এজন সহকাৰী ষ্টেচন সঞ্চালকৰ সৈতে চিনাকি কৰাই দিয়ে। যাৰ ফলত তেওঁ আকাশবাণীত কাম কৰাৰ সুবিধা লাভ কৰে। একেদৰে তেতিয়াই ভট্টাচাৰ্যই আমেৰিকাৰ পৰা সম্প্ৰচাৰ হোৱা এটা অনুষ্ঠানৰ বাংলা ৰেকৰ্ডিঙৰ সুবিধা লাভ কৰে। এনেদৰে কাম কৰি থকাৰ মাজতে আকাশবাণীত তেওঁ চাকৰি লাভ কৰে আৰু ১৯৬২ চনত অসমলৈ উভতি আহে। ১৯৬২ চনৰ ডিচেম্বৰত ভট্টাচাৰ্যই আকাশবাণীৰ নাটক শাখাৰ ভাৰপ্ৰাপ্ত প্ৰযোজক হিচাপে যোগদান কৰে। আকাশবাণীত কাম কৰি থকাৰ সময়তে ভট্টাচাৰ্যই দুৰ্গেশ্বৰ বৰঠাকুৰ, অৰুণ শৰ্মা আৰু ভবেন্দ্ৰনাথ শইকীয়াৰ সৈতে কাম কৰাৰ সুযোগ লাভ কৰে। অৰুণ শৰ্মাৰ পৰশুৰাম নাটকৰ জৰিয়তে ৰেডিঅ' নাটকত তেওঁ এক নতুন ধাৰাৰ সূচনা কৰিছিল। এতিয়াও সেই ধাৰাৰ অধীনতে ৰেডিঅ'ত নাট সম্প্ৰচাৰ কৰা হয়। ছেক্সপীয়েৰৰ হেমলেটকে ধৰি কেইবাখনো প্ৰসিদ্ধ নাটকৰ অনাতাঁৰ প্ৰচাৰৰ বাবে কুলদা কুমাৰ ভট্টাচাৰ্যই উদ্যোগ গ্ৰহণ কৰিছিল। ৬ বছৰ বয়সৰ পৰাই নাটক আৰু আবৃত্তিৰ সৈতে জড়িত হৈ পৰা কুলদা কুমাৰ ভট্টাচাৰ্যই কেইবাখনো ছবিত অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা ছবিসমূহ হৈছে- সুধাকণ্ঠ ড° ভূপেন হাজৰিকা পৰিচালিত শকুন্তলা, লটিঘটি, চিকমিক বিজুলী, মুনিন বৰুৱা পৰিচালিত প্ৰভাতী পখীৰ গান আৰু ৰামধেনু, প্ৰদ্যুৎ কুমাৰ ডেকা পৰিচালিত সূৰ্যাস্ত, সঞ্জীৱ সভাপণ্ডিত পৰিচালিত দিকছৌ বনত পলাশ, সান্ত্বনা বৰদলৈ পৰিচালিত মাজৰাতিৰ কেতেকী, সৌৰভ বৈশ্য পৰিচালিত ক্ষণচৰ, ৰীমা দাস পৰিচালিত ভিলেজ ৰকষ্টাৰ্ছ, অৰূপ মান্না পৰিচালিত কেকটাছ আদি। একেদৰে প্ৰয়াত ভট্টাচাৰ্যই বহুসংখ্যক জনপ্ৰিয় ধাৰাবাহিকতো অভিনয় কৰিছিল। তেওঁ অভিনয় কৰা কেইখনমান জনপ্ৰিয় ধাৰাবাহিক হৈছে- দেউতা, জীৱনৰ বাটত, এই চহৰতে, পাপু নিপু সংবাদ, তেজাল ঘোঁৰা আৰু ত্ৰিকাল। তেওঁ ৩৫খনতকৈও অধিক তথ্যচিত্ৰ আৰু চুটি ছবি নিৰ্মাণেৰেও অসমীয়া ছবিজগতক সমৃদ্ধ কৰি গৈছে। তেওঁৰ তথ্যচিত্ৰ আৰু চুটি ছবিকেইখনমান হৈছে- ডিলাইটফুল নেচাৰ, প্ৰাইড অৱ নেচাৰ, ম'পিন, এলিফেন্ট বিফ্ৰেইণ্ডেড, মেন বিহাইণ্ড, ডেঞ্জাৰ এহেড আদি। তদুপৰি ১৯৬০ চনৰ পৰাই তেওঁ অসমীয়া নাট্যজগতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৬০ চনত ভট্টাচাৰ্যই অসম জাতীয় নাট্যশালা প্ৰতিষ্ঠা কৰে। ভাৰতীয় গণনাট্য সংঘৰ সৈতে তেওঁ নতুন ইহুদি, মশাল, ৰক্ত কৰবী আদিৰ দৰে নাটকত অভিনয়েৰেও খ্যাতি লাভ কৰিছিল। অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে এইগৰাকী পুৰোধা ব্যক্তিলৈ আগবঢ়োৱা হৈছে বহু সন্মান। তৰুণ দুৱৰা মেম'ৰিয়েল আইল ইণ্ডিয়া বঁটা, নিৰোদ চৌধুৰী জীৱনজোৰা সাধনা বঁটা, জীৱনৰাম মুংগী দেৱী গোৱেংকা চেৰিটেবল ট্ৰাষ্টৰ বঁটা, অপ্সৰা বঁটা, জি প্লাছ থিয়েটাৰ মহোৎসৱত লাইভ ইন এ থিয়েটাৰ এৱাৰ্ড, প্ৰাগ চিনে এৱাৰ্ডৰ জীৱনজোৰা সাধনা বঁটাৰে তেওঁক সন্মানিত কৰা হৈছে। ২০২৩ চনত কৃপাল কলিতা পৰিচালিত হাতীবন্ধুত দিয়া ধাৰাভাষ্যৰ বাবে ৬৯সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাও প্ৰয়াত ভট্টাচাৰ্যই লাভ কৰে। এনে এগৰাকী পুৰোধা ব্যক্তিৰ বিয়োগত ৰাজ্যজুৰি গভীৰ শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত মুখ্যমন্ত্ৰী শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। শোক প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- আকাশবাণী, চলচ্চিত্ৰ আৰু সৰু পৰ্দাৰ প্ৰবীণ অভিনেতা কুলদা কুমাৰ ভট্টাচাৰ্যৰ প্ৰয়াণৰ খবৰ শুনি অতি মৰ্মাহত হ'লোঁ। বলিষ্ঠ কণ্ঠৰ অধিকাৰী ভট্টাচাৰ্য আছিল এগৰাকী সু-আবৃত্তিকাৰ আৰু তথ্যচিত্ৰ পৰিচালকো। বহুকেইখন অসমীয়া চিনেমা, আকাশবাণীৰ নাটককে ধৰি মঞ্চ অভিনয়তো দক্ষতাৰ পৰিচয় দি অভিনয়প্ৰেমীৰ হৃদয়ত বিশেষ আসন দখল কৰা ভট্টাচাৰ্যৰ প্ৰয়াণত অসমৰ সাংস্কৃতিক জগতখনৰ পূৰাব নোৱাৰা ক্ষতি হ'ল। প্ৰখ্যাত অভিনয় শিল্পীগৰাকীৰ অসমৰ সাংস্কৃতিক জগতখনলৈ অৱদান উত্তৰসূৰীয়ে যুগে যুগে স্মৰণ কৰিব। ইফালে, কুলদা কুমাৰ ভট্টাচাৰ্যৰ বিয়োগত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও গভীৰ শোক প্ৰকাশ কৰিছে। সোণোৱালে কয় যে প্ৰখ্যাত অভিনেতা, পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্য অবিস্মৰণীয় অৱিহণাৰে সমৃদ্ধ আমাৰ কলা-সংস্কৃতিৰ পথাৰ। তেওঁৰ বিয়োগ অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি।

# উৎসৱৰ বতৰত গুৱাহাটীত

সুৰা বিক্ৰী হৈছিল। ২০২২ চনত দুৰ্গা পূজাৰ সময়ত গুৱাহাটীত ১৬.৮০ কোটি টকাৰ সুৰাৰ বিক্ৰী হোৱাৰ বিপৰীতে ২০২৩ চনত ২২.৫০ কোটি টকাৰ সুৰা বিক্ৰী হৈছিল। কিন্তু এই অভিলেখ ভংগ কৰি এইবাৰৰ দুৰ্গা পূজাত ৩০ কোটি টকাৰ সুৰা বিক্ৰীৰ উপৰি এমাহৰ ভিতৰতে পুনৰ ৫ কোটি টকাৰ সুৰা বিক্ৰীয়ে স্বাভাৱিকতে স্পষ্ট কৰি তুলিছে উৎসৱৰ বতৰত সুৰা সেৱনৰ প্ৰতিযোগিতাক। অৱশ্যে বিগত বৰ্ষত দীপাৱলীত ৬.৮০ কোটি টকাৰ সুৰা বিক্ৰী হৈছিল। আবকাৰী বিভাগৰ তথ্য অনুসৰি চলিত বৰ্ষৰ মাঘবিহুত গুৱাহাটীত ১২.৫০ কোটি, নৱবৰ্ষ উদ্যাপনত ৮.৫০ কোটি টকাৰ সুৰা বিক্ৰী হৈছিল। লক্ষণীয় দিশটো হ'ল যে শেহতীয়াকৈ আবকাৰী বিভাগে ছেপ্টেম্বৰ মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ বহুকেইটা ব্ৰেণ্ডৰ সুৰা আৰু বীয়েৰৰ দাম হ্ৰাস কৰিছে। যাৰ বাবে দীপাৱলীৰ দুটা দিনত অভাৱনীয় হাৰত সুৰা বিক্ৰী হোৱাটো স্বাভাৱিক ঘটনাৰ দৰে হৈ পৰিছে। স্মৰ্তব্য যে যোৱা ২০, ২৩-২৪ বিত্তীয় বৰ্ষত সুৰা বিপণীসমূহৰ পৰা সংগৃহীত আবকাৰী ৰাজহৰ পৰিমাণ আছিল ৩, ৮১৬ কোটি টকা। কাৰ্যতঃ সুৰাপায়ীয়ে ৰাজ্যৰ ৰাজহৰ পৰিমাণ বৃদ্ধিত যে অৰিহণা যোগাইছে সেয়াও ইতিমধ্যে স্পষ্ট হৈ পৰিছে।

# মাজুলীৰ জীৱন্ত ৰাস

চৰকাৰে এই গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ সন্মানাৰ্থে ইয়াৰ প্ৰতিখন ৰাস সমিতিৰ বাবে অতিৰিক্ত ৫০ হাজাৰ টকাকৈ অনুদান ঘোষণা কৰিবলৈ পাই আহ্লাদিত হৈছে। এই অনুদানৰাশি পূৰ্বে ঘোষণা কৰা ২৫ হাজাৰ টকাৰ অতিৰিক্ত হিচাপে আগবঢ়োৱা হৈছে। এই পদক্ষেপ অসমৰ সমৃদ্ধ ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শনৰ প্ৰিয় উৎসৱটোৰ আয়োজনত সহযোগিতা আৰু সম্প্ৰসাৰণৰ প্ৰতি ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ প্ৰতিফলন বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। ইফালে, এই সিদ্ধান্তত মাজুলীৰ ৰাস উদযাপন সমিতিসমূহ উৎফুল্লিত হোৱাৰ লগতে ৰাজ্য চৰকাৰক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখ্য যে অহা ১৫, ১৬ আৰু ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব ৰাসোৎসৱ। অৱশ্যে মাজুলীৰ একাংশ ৰংগমঞ্চত ১৪ নৱেম্বৰৰ পৰা ৰাসোৎসৱ আৰম্ভ হ'ব।

# দীপাৱলীৰ আনন্দ-উল্লাসৰ

সংকটমুক্ত বুলি চিকিৎসকে জানিবলৈ দিছে। দুৰ্ঘটনাটোত মৃত্যু হোৱা দিপিত গুৱাহাটীৰ শ্ৰীনগৰৰ ৰাজধানী এপাৰ্টমেণ্টৰ বাসিন্দা শ্যামন্ত দে'ৰ একমাত্ৰ পুত্ৰ। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে বিয়লি দিপিতে পিতৃৰ সৈতে ওলাই গৈছিল। ইয়াৰ পিছত ঘৰলৈ আহি দেউতাকৰ পুৰণি ছুইফ্ট গাড়ীখন লৈ দিপিতে বন্ধুক লগ কৰিবলৈ যায়। নিশা প্ৰায় আঢ়ৈ বজাত ঘৰলৈ আহে দিপিত। প্ৰায় আধাঘণ্টা পিছত স্ক'ৰপিঅ' বাহনখন লৈ পুনৰ ওলাই যায়। নিশা পুনৰ দিপিত ওলাই যাব বিচৰাত এপাৰ্টমেণ্টটোৰ নিৰাপত্তাৰক্ষীয়ে বাধা প্ৰদান কৰিছিল। কিন্তু নিৰাপত্তাৰক্ষীগৰাকীৰ বাধা নামানি দিপিত ওলাই গৈছিল। ইয়াৰ পিছতে খানাপাৰাত পুৱতিনিশা প্ৰায় ৩.৪০ বজাত সংঘটিত হয় এই পথ দুৰ্ঘটনাটো। পুৱা প্ৰায় ৭ বজাতহে পৰিয়ালৰ লোকে দুৰ্ঘটনাৰ বিষয়ে জানিব পাৰে। দিপিতৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। এই দুৰ্ঘটনাটোত মৃত্যু হোৱা কণামিকা নাৰ্জাৰীৰ ঘৰ কোকৰাঝাৰৰ ১নং গকুলকাটাত আৰু আহত নিহাৰিকাৰ ঘৰ গহপুৰত। মৰণোত্তৰ পৰীক্ষাৰ অন্তত দুয়োৰে মৃতদেহ আৰক্ষীয়ে পৰিয়ালৰ লোকক চমজাই দিয়ে। দুৰ্ঘটনাটোত আহত বগা ৰঙৰ স্ক'ৰপিঅ' বাহনখনৰ চালক গৌতম শৰ্মাই জানিবলৈ দিয়া মতে ক'লা ৰঙৰ স্ক'ৰপিঅ' বাহনখন ১০০ৰ পৰা ১২০কিলোমিটাৰ স্পীডত আহিছিল। তেওঁ খানাপাৰাত ইউটাৰ্ন লোৱাৰ সময়তে তীব্ৰবেগী ক'লা ৰঙৰ স্ক'ৰপিঅ' বাহনখনে তেওঁৰ বাহনখনৰ বাঁওফালে খুন্দিয়াই পদসেতুৰ ৰেলিঙত খুন্দা মাৰে।

# উৰণ সেতু নিৰ্মানৰ নামত গছ কটাৰ বিৰোধিতা



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য চৰকাৰে গুৱাহাটীৰ নুনমাটিৰ পৰা দীঘলী পুখুৰী পৰ্যন্ত নিৰ্মাণ কৰি থকা উৰণীয়া সেতুৰ বাবে দীঘলী পুখুৰীৰ পাৰত থকা বহুবছৰৰ পুৰণি বৃহৎ বৃহৎ গছবিলাক কাটি পেলোৱাৰ যি হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে তাৰ তীব্ৰ বিৰোধিতা কৰি অল ইণ্ডিয়া জন অধিকাৰ সুৰক্ষা কমিটিয়ে এক বিবৃতিত কয় যে অসম চৰকাৰে ৰাস্তা-ঘাটৰ উন্নয়নৰ নামত চাৰিওফালে বহু পুৰণি গছ যিদৰে ধ্বংস কৰি আছে, তাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধিৰ ক্ষেত্ৰত সহায়হে কৰি আছে। এই উষ্ণতা বৃদ্ধিৰ বাবেই আজি কেবা বছৰ ধৰি অসহ্যকৰ উৎকট গৰমৰ পৰিবেশ সৃষ্টি হৈছে আৰু এইবছৰ ভালে সংখ্যক মানুহৰ মৃত্যুও হৈছে। এনে অৱস্থাত প্ৰাকৃতিক পৰিবেশ ৰক্ষা কৰাৰ স্বাৰ্থত বন ধ্বংস কৰা কোনো অৱস্থাতে সমীচিন নহয়। কেন্দ্ৰীয় চৰকাৰেও ২০০৬ চনৰ বন অধিকাৰ আইনখন (FRA -২০০৬) ভৰিৰে মোহাৰি ২০২৩ চনৰ ২৮জুলাই তাৰিখে বন সংৰক্ষণ সংশোধনী বিল সংসদত পাছ কৰি গিবন অভয়াৰণ্য সহ দেশৰ বহু বনাঞ্চল শোষক পুঁজিপতি গোষ্ঠীৰ হাতত গতাই দিয়াৰ ফলত জনসাধাৰণৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰে ইতিমধ্যে দীঘলী পুখুৰীৰ পাৰত সভা-সমিতি নিষিদ্ধ কৰি দোকান-পাট বহুৱাই অঞ্চলটো কদৰ্য কৰি সৌন্দৰ্য আৰু পৰিৱেশ ধ্বংস কৰিছে। এতিয়া তাত থকা বৃহৎ বৃক্ষসমূহ ধ্বংস কৰি সেউজীয়া পৰিৱেশ চিৰদিনৰ বাবে নোহোৱা কৰিব বিচাৰিছে। চৰকাৰৰ এই জন বিৰোধী সিদ্ধান্ত শীঘ্ৰে প্ৰত্যাহাৰ কৰিবলৈ দাবী জনোৱাৰ লগতে দীঘলী পুখুৰী সহ অন্যান্য অঞ্চলত বৃক্ষ ধ্বংসৰ চৰকাৰী সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলনৰ গঢ়ি তোলৰ বাবে আগুৱাই আহিবলৈ সৰ্বস্তৰৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

# বোকাখাতত অসম আবৃত্তি

আব্দুল ৰাজাক ,সিদ্ধেশ্বৰ ডেকা, ৰত্নেশ্বৰ মৰাং, মনীষা শৰ্মা, ফণিধৰ হাজৰিকা, ৰিণ্টা শৰ্মা, পংকজজ্যোতি বৰুৱা, অনুভৱ কৌশিক , স্বপ্নালী বৰুৱা, প্ৰিয়াক্ষী শৰ্মা, অসীম বৰুৱা, মণ্টু শইকীয়া, অতুল বেজবৰুৱা আদি বিশিষ্ট শিল্পীয়ে। অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাৰ গীত আৰু কবিতা পাঠ ।অনুষ্ঠানটোত আৰম্ভণিৰ পৰা শেষলৈকে তেখেত শাৰীৰিক অসুস্থতাকো আওকাণ কৰি উপস্থিত থাকি সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে বোকাখাত আবৃত্তি আৰু সংস্কৃতি পৰিষদে কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত লক্ষ্মীধৰ শৰ্মাৰ চিৰাজ নাটকৰ আঘোণাৰ সংলাপেৰে অনুষ্ঠানত নাটকীয় ৰসাস্বাদন দিয়ে বিশিষ্ট নাট্যকাৰ, অভিনেতা হৰিপ্ৰসাদ বৰঠাকুৰে। অনুষ্ঠানত সাংবাদিক পপী শইকীয়া, ৰাজীৱ বৰা, ৰূপজ্যোতি ভৰালী, দীপক শৰ্মা, ৰেখাৰাণী তামুলী, প্ৰতাপ বৰা, প্ৰমোদ ঘোষ, দীপক শৰ্মা, তৰুণ দলে, প্ৰদীপ খাউণ্ড, কেশৱ উপাধ্যায়, চিত্তৰঞ্জন গোস্বামী, বদন দুৱৰা আদি বিশিষ্ট ব্যক্তিৰ উপস্থিতিয়ে সভাখন শুৱনি কৰে। অনুষ্ঠানটো শৰৎ ৰঞ্জন শৰ্মাৰ মাতৃ নিৰদা দেৱীয়ে আৰম্ভণিৰ পৰা শেষলৈকে উপস্থিত থাকি উপভোগ কৰে। নাতিৰ সপোনক বাস্তৱ ৰূপ দিবলৈ অহোপুৰুষাৰ্থ চেষ্টাকৰা আইতাক ফুলেশ্বৰী নাথক শৰৎ ৰঞ্জন শৰ্মাৰ পৰিয়ালে সম্বৰ্দ্ধনা জনায়। বোকাখাত আবৃত্তি আৰু সংস্কৃতি পৰিষদে বোকাখাতৰ সত্য আৰু নিৰ্ভৰযোগ্য বাতৰিৰ বাবে জনপ্ৰিয় নিউজ চেনেল কে, এন, এন বোকাখাত লাইভ আৰু খবৰ বোকাখাতক মানপত্ৰ, স্মাৰক আৰু গামোচাৰে সম্বৰ্দ্ধনা জনায় ।বহু কেইগৰাকী কবিয়ে কবিতা পাঠ আৰু গীত পৰিবেশন কৰাৰ লগতে কেইবাগৰাকী উপস্থিত অতিথিয়ে নিজ নিজ অনুভৱ ব্যক্ত কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত বিশিষ্ট যুৱ আৰু জ্যেষ্ঠ কণ্ঠশিল্পীৰ গীত, কেইজনমান ছাত্ৰ ছাত্ৰীৰ গীত কবিতা আবৃত্তি আদিয়ে উপস্থিত সকলক আহ্লাদিত কৰি অনুষ্ঠানক বৰ্ণিল কৰি তোলে। শৰৎ ৰঞ্জন শৰ্মাৰ একাংশ আত্মীয়ৰ লগতে, বোকাখাতৰ একাংশ সাংবাদিক, আমন্ত্ৰিত দল-সংগঠনৰ প্ৰতিনিধি আৰু বহু সংখ্যক গণ্যমান্য ব্যক্তিকে ধৰি শতাধিক লোক অনুষ্ঠানত উপস্থিত থাকে। এই উপস্থিতি আৰু সঁহাৰিয়ে অনুষ্ঠানটোক এক অনন্য মাত্ৰা প্ৰদান কৰে বুলি মত প্ৰকাশ কৰিছে একাংশ উপস্থিত ব্যক্তিয়ে আৰু উদ্যোক্তাসকলে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। শলাগৰ শৰাই আগবঢ়ায় গৃহস্থ শৰৎ ৰঞ্জন শৰ্মা, বোকাখাত আবৃত্তি পৰিষদৰ সভাপতি মৃদুস্মিতা শৰ্মা আৰু সমগ্ৰ কাৰ্যসূচী পৰিচালনা কৰে পৰিষদৰ মুখ্য উপদেষ্টা অমৰ শৰ্মাই ।

# ভাৰতীয় পেথ'লজিষ্ট আৰু

আছিল অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক অধ্যাপক সঞ্জীৱ কাকতি। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকা। নেৰকন ২০২৪-ৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ অংশ হিচাপে অসম চিকিৎসা মহাবিদ্যালয়, ভাৰতীয় চিকিৎসা সংস্থা গৃহ, ডিব্ৰুগড়ৰ বিভিন্ন স্থানত পেথ'লজীৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত ১০খন প্ৰাক্-সন্মিলনী কৰ্মশালা অনুষ্ঠিত কৰা হয়। তদুপৰি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি স্নাতকোত্তৰ কুইজ, আলোচনা-চক্ৰ আৰু পোষ্টাৰ প্ৰদৰ্শনীও আয়োজন কৰা হয়। ২৬ অক্টোবৰ তাৰিখে অনুষ্ঠিত বৈজ্ঞানিক কাৰ্যসূচীত মুম্বাইৰ টাটা মেম'ৰিয়েল চেণ্টাৰৰ পেথ'লজী বিভাগৰ অধ্যাপক ডাঃ সুমিত গুজৰালে ডাঃ বি ডি বৰুৱা বিশেষ বক্তৃতা আগবঢ়ায়। "বিশ্ব স্বাস্থ্য সংস্থাৰ হেমাট'লিম্ফইড নিওপ্লাজমছৰ শ্ৰেণীবিভাজনৰ শেহতীয়া বিকাশৰ অন্বেষণ" সন্দৰ্ভত এই বক্তৃতা তেখেতে আগবঢ়ায়। তদুপৰি নেৰকন ২০২৪-ত বেংগালুৰুৰ নিমহান্সৰ ডাঃ অনিতা মহাদেৱন, পিজিআই চণ্ডিগড়ৰ পেথ'লজীৰ প্ৰাক্তন অধ্যাপক ডাঃ অসীম দাস, আনন্দ ডায়েগনষ্টিক লেব'ৰেটৰী, বেংগালুৰুৰ ডাঃ জয়ৰাম আয়েংগাৰ, ছিংগাপুৰৰ কিউৰিটিভৰ ডাঃ চাহিল সৰফ, নতুন দিল্লীৰ ৰাজীৱ গান্ধী কৰ্কট প্ৰতিষ্ঠানৰ ডাঃ সুনীল পাছৰিচা, তেজপুৰ বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিভাগৰ ডাঃ ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্য, বেংগালুৰুৰ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ ডাঃ হাৰ্দিক জে পান্ধ্যা, নতুন দিল্লীৰ এইমছৰ ডাঃ ৰিমলী দত্ত, আৰএমআৰআই, বেৰেলিৰ পেথ'লজীৰ অধ্যাপক তথা আইএপিএম-ৰ সচিব ডাঃ ৰঞ্জন আগৰৱাল, পিজিআই চণ্ডীগড়ৰ ডাঃ প্ৰবীণ শৰ্মাৰ দৰে পেথ'লজীৰ বহুতো নাম জ্বলা বিশেষজ্ঞয়ো বক্তৃতা প্ৰদান কৰে। বৈজ্ঞানিক কাৰ্যসূচীত এখন ক্লিনিকো পেথ'লজী কনফাৰেন্স আৰু "সম্পূৰ্ণ স্বয়ংক্ৰিয়কৰণ, ৰব'টিক্স আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ অগ্ৰগতিৰ সৈতে ২০৫০ চনৰ ভিতৰত পেথ'লজিষ্টসকলৰ ভূমিকা কি হ'ব" -শীৰ্ষক এক আলোচনা-চক্ৰও অন্তৰ্ভুক্ত আছিল। তিনিদিনীয়া এই বৈজ্ঞানিক আৰু শৈক্ষিক কাৰ্যক্ৰমত ছিকিমকে ধৰি উত্তৰ-পূব ভাৰতৰ ৮ খন ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অভিলেখ সংখ্যক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু সন্মিলনখনৰ সফল আয়োজনক সকলোৱে প্ৰশংসা কৰে।

# গুজৰাটত দেশৰ প্ৰথম

২৯৫ বিমান নিৰ্মাণ কাৰখানাই নতুন ভাৰতৰ নতুন কৰ্মসংস্কৃতিক প্ৰতিফলিত কৰে। যেতিয়া মই গুজৰাটৰ মুখ্যমন্ত্ৰী আছিলোঁ, তেতিয়াই বদোদৰাত ৰে'লৰ দবা নিৰ্মাণ কৰা ফেক্টৰী এটা সিদ্ধান্ত লৈছিলোঁ আৰু নিৰ্দিষ্ট সময়তে সেই কাৰখানাত ৰে'লৰ দবা নিৰ্মাণ কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি আমি তাতেই নিৰ্মাণ কৰা মেট্ৰ' দবা পৃথিৱীৰ বিভিন্ন দেশলৈ ৰপ্তানি কৰি আছোঁ। মোৰ বিশ্বাস এই বিমান নিৰ্মাণ কাৰখানাত নিৰ্মিত বিমানেও ভৱিষ্যতে আন দেশলৈ ৰপ্তানি কৰিব পৰা যাব। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়- বিগত ৫-৬ বছৰত ভাৰতত ১ হাজাৰ নতুন প্ৰতিৰক্ষা ষ্টাৰ্ট আপ আহিছে। বিগত ১০ বছৰত ভাৰতৰ প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি ৩০ গুণ বাঢ়িছে। সম্প্ৰতি আমি ১০০তকৈ অধিক দেশলৈ প্ৰতিৰক্ষা সঁজুলি ৰপ্তানি কৰি আছোঁ। আমি দেশত দক্ষতা আৰু সংস্থাপন সৃষ্টিত প্ৰাধান্য দি আছো। এয়াৰবাছ আৰু টাটাৰ সমন্বয়ত গঢ়ি উঠা এই কাৰখানাত কেইবা হাজাৰ সংস্থাপন সৃষ্টি হ'ব।

# ষঠ পূজা উদ্‌যাপন

হয় নে নহয় সেই বিষয়ে তাৎক্ষণিক ভাবে জনাবলৈ নিৰ্দেশ দিয়ে। আনহাতে, ষঠ পূজা উদযাপনৰ সময়ছোৱাত যাতে শান্তি শৃংখলা ভংগ নহয় লগতে কোনোধৰণৰ কুটাঘাটমূলক কাৰ্যকলাপ সংঘটিত নহয় তাৰ বাবে ষঠ পূজা উদযাপন সমিতিৰ বিষয়ববীয়াসকলক সাৱধানতা অৱলম্বন কৰাৰ উপৰিও পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰোপৰি স্বেচ্ছাসেৱকসকলৰ নাম নিকটৱৰ্তী আৰক্ষী চকীত জমা দিবলৈ নিৰ্দেশ দিয়া হয়। আনহাতে, পুজাস্থলীত চি চি টিভি লগাবলৈয়ো নিৰ্দেশ দিয়া হয়। ভক্তপ্ৰাণ ৰাইজৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰা ঘাটত পূজা উদযাপন কৰিবলৈ আহ্বান জনায়। এই সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষ প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য বিষয়া আৰু আৰক্ষীৰ যানবাহন শাখাৰ বিষয়াবৰ্গ উপস্থিত থাকে।

# নিৰ্বাচনী ধামখুমীয়াৰ

অৰবিন্দ কেজৰিৱালৰ কামৰ ৰাজনীতিৰ প্ৰতি অসমবাসীৰ আকৰ্ষণ বৃদ্ধি পোৱাত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে ।শ্বহীদ ভৱনত উপস্থিত থকা প্ৰতিগৰাকী দলীয় কৰ্মীক চামগুৰিৰ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীৰ হকে দেহে- কেহে কাম কৰিবলৈ আহ্বান জনায়। আনহাতে ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে চামগুৰি বিধান সভা সমষ্টিত আপৰ প্ৰাৰ্থী বিজয়ী হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, "উপ নিৰ্বাচনৰ পিচত পুনৰ পঞ্চায়ত নিৰ্বাচনৰ বাবেও আম আদমী পাৰ্টিয়ে শক্তিশালী প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। দলৰ স্বেচ্ছাসেৱক সকলে এতিয়াৰ পৰাই পঞ্চায়ত নিৰ্বাচনৰ বাবে সাজু হোৱা উচিত।" নগাঁৱৰ সভাত চামগুৰি সমষ্টিৰ বহুসংখ্যক নেতা - কৰ্মীয়ে যোগদান কৰে। দলৰ কৰ্মী নুৰুল আমিন চৌধুৰীয়েও ভাষণত উপ নিৰ্বাচনত তেওঁৰ বিজয় নিশ্চিত বুলি আশা ব্যক্ত কৰে। তদুপৰি আপৰ ৰাজ্যিক উপ সভাপতি অনুৰূপা ডেকাৰাজা, সাধাৰণ সম্পাদক (সাংগঠনিক) ৰাজীৱ শইকীয়া, পুনম গগৈ, অম্লানজ্যোতি হাতীবৰুৱা, ৰুদ্ৰাংকুৰ হাজৰিকাৰ লগতে ৰাজ্যিক নেতৃবৃন্দই নুৰুল আমিন চৌধুৰীৰ বিজয়ৰ বাবে ৰণকৌশল সন্দৰ্ভত বক্তব্য দাঙি ধৰে। চামগুৰিৰ বৰ্মা বজাৰতো মনোজ ধানোৱাৰৰ সম্পৰ্ক যাত্ৰা অভিযান ৰূপায়ন কৰে। সমষ্টিটোত দলীয় কৰ্মী সকলৰ মাজত যথেষ্ট উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়। বৰ্মা বজাৰত অন্যান্য দলৰ একাংশ কৰ্মীয়ে আপত যোগদান কৰে। তেওঁলোকে আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ কামৰ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈ দলত যোগদান কৰে।

## ENGLISH NEWS SECTION

# Assam and Manipur Governor visits Senapati district



Guwahati,RB News: To share happiness with the men in uniform posted far away from their homes on the festive occasion, Assam and Manipur Governor Shri Lakshman Prasad Acharya, today visited Senapati district headquarters in Manipur and celebrated Diwali with CRPF jawans there. The Governor greeted the officers and the jawans on the occasion of Diwali and wished them a very happy life ahead. He distributed sweets and attended the Barakhana with CRPF jawans on the occasion. Earlier, the Governor inaugurated an Exhibition cum Traditional Food Buffet held on a theme 'Peace through Culture and Identity', at the Astro Turf Ground at the district headquarters. The program was organized by Manipur North Economic Development Association, (MANEDA). The Governor also witnessed a spectacular performance presented by specially-abled children and women folk. Governor Shri Acharya also interacted with representatives of CSOs at the office of the Deputy Commissioner at Senapati. It may be noted that upon arrival at the district headquarters, Governor was accorded warm welcome by the DC Senapati, Mamoni Doley.

# Governor pays tribute to Sardar Vallabhbhai Patel



Guwahati,RB News: Assam and Manipur Governor Shri Lakshman Prasad Acharya along with officers and staff of Governor's Secretariat of Manipur paid floral tributes to the Iron Man of India Bharat Ratna Sardar Vallabhbhai Patel, Nation's 1st Home Minister who worked relentlessly for the unity and integrity of India, on his Birth Anniversary celebrated as National Unity Day at the Durbar Hall of Raj Bhavan in Imphal. Paying rich tributes, Shri while remembering the role of Sardar Vallabhbhai Patel who was instrumental in strengthening the unity of the country. The Governor said that Sardar Patel was known for taking important decisions without wasting time. He also said that Sardar Patel unified the nation by annexing the princely states after independence of the nation. He said that Patel was very inspirational and his life is source of knowledge.

# Raj Bhavan Manipur bids adieu to Bobby Waikhom



Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya, who is also holding the additional charge as the Governor of Manipur, today bade farewell to the Secretary to Governor, Manipur Bobby Waikhom who is retiring tomorrow from his service on attaining the age of superannuation.In a farewell meeting held , the Governor took note of his long service career and besides congratulating him, wished him for a long and healthy retired life. Governor Shri Acharya appreciated the service rendered by Bobby Waikhom to Raj Bhavan and wished him a prosperous life ahead. Officers and the staff present on the occasion also expressed their gratitude to the Secretary and wished him a happy and healthy life. It may be recalled that from March, 2020, Shri Bobby Waikhom served as the Secretary to Governor till his retirement.

# Ravindra Jadeja becomes India's fifth-highest wicket-taker in Tests



RB News: Team India all-rounder Ravindra Jadeja has become the fifth-highest wicket-taker for India in Test cricket history. The 35-year-old took his tally of Test wickets to 312 after taking his third wicket in New Zealand's first innings in the Mumbai Test on Friday. Jadeja overtook Ishant Sharma and Zaheer Khan, who took 311 wickets in their respective Test careers.

# Hardik Pandya to continue as MI captain



RB News: MI have announced that all-rounder Hardik Pandya will continue as their captain in IPL 2025 despite the franchise finishing last in IPL 2024. MI made the announcement while announcing their retentions. They have retained Hardik for 16.35 crore. Hardik scored 216 runs at a strike-rate of 143 and took 11 wickets with an economy of 10.75 in IPL 2024.

# South Africa register their biggest win in Test history



RB News: South Africa have registered their biggest ever victory in Tests, beating Bangladesh by an innings and 273 runs in the second Test in Chattogram to seal the series 2-0. Previously, South Africa's biggest (innings) win in Tests was their innings and 254-run victory over Bangladesh in Bloemfontein, 2017. With the win, South Africa have moved to 4th in WTC standings.

# Rishabh Pant among 4 captains not retained by their IPL teams

RB News: The IPL player retention list was announced on Thursday. As many as four captains have not been retained by their IPL teams. They are KL Rahul (LSG), Rishabh Pant (DC), Faf du Plessis (RCB) and Shreyas lyer (KKR). Notably,Shreyas Iyer led Kolkata Knight Riders to an IPL title win in 2024.

# সুধাকণ্ঠলৈ.....



বিশ্বজিৎ বৈশ্য, বংশৰ, গুৱালকুছি

৮ চেপ্তেম্বৰ, ১৯২৬ চনত শদিয়াত জন্ম লাভ কৰা ভাৰতৰত্ন ড° ভূপেন হাজৰিকা নামে যাৰ পৰিচয়। অসম তথা ভাৰতৰ এগৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ, আৰু সঙ্গীত পৰিচালক আছিল। তদুপৰি তেখেত চিত্ৰকৰ, লেখক, চলচ্চিত্ৰ পৰিচালক আছিল। সুধাকণ্ঠ নামেৰে পৰিচিত ড° ভূপেন হাজৰিকাই তেখেতৰ কৰ্মৰাজিৰে অসমৰ কলা-সংস্কৃতি জগতৰ উন্নয়ন সাধনৰ লগতে অসম তথা ভাৰতক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰতো বহুতো অৱদান আগবঢ়াই আহিছে। ১৯৩৭ চনত ১১ বছৰ বয়সতে সুধাকণ্ঠ ই প্ৰথমটো গীত ৰচনা কৰে। গীত টো হল--

"কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে
ধৰিছিল নামৰে তান
নামৰে সুৰতে আনন্দত নাচিছিল
পৱিত্ৰ বৰদোৱা থান"

মানৱ জাতিৰ প্ৰেৰণাৰ উৎস ড° ভূপেন হাজৰিকাই আমাক দি গ'ল বহুতো বাৰ্তা, দি গ'ল গভীৰ অনুভৱেৰে সজোৱা সুৰৰ কৰণি। তেখেতে দেশে- বিদেশে অৰ্দ্ধশতাধিক বঁটা- সন্মান লাভ কৰিছিল। সুধাকণ্ঠৰ সৃষ্টিৰাজি আমাৰ এক অমূল্য সম্পদ। ২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখে তেখেতে ইহ সংসাৰৰ পৰা আমাক এৰি থৈ যায়। তেওঁৰ সমগ্ৰ সৃষ্টিৰাজি, বাণীবদ্ধ কণ্ঠ আৰু সুৰে আজিও তেওঁক আমাৰ মাজত জীয়াই ৰাখিছে। এইদৰে চিনাকী সুৰ বোৰৰ মাজতে চিৰকাললৈ জীয়াই থাকিব সকলোৰে হিয়াৰ আমঠু ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাক।

চুটিগল্প

# অপেক্ষা



জোনমণি গোহাঁই, লখিমপুৰ

আজি উপাসনাৰ মন উচপিচাই আছে। কেতিয়া ৰাতি পুৱা হব। সিহঁতৰ গাওঁৰ "বিৰিণা" যুৱ মঞ্চৰ সৌজন্যত লেখিকা সমাৰোহ এখন আয়োজন কৰা হৈছে। সমাৰোহলৈ বৰ্তমান অসমৰ প্ৰতিষ্ঠ সু সাহিত্যক অনিৰুদ্ধ বৰুৱাক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। সুলেখক গৰাকীৰ লিখনি বোৰ পঢ়ি কেতিয়ানো তাই গল্প, কবিতা লিখিবলৈ আৰম্ভ কৰিলে নিজেই তাৰ উমান নাপালে।

তাইৰ প্ৰেৰণা উৎস লেখক গৰাকীক চোৱা আৰু বাৰ্তালাপৰ দুৰ্বাৰ হেঁপাহ সংগোপনে বুকুত খোপনি পুতিছিল অজানিতে। অৱশ্যে লেখক গৰাকীৰ লগত মাজে সময়ে চিঠি আদান প্ৰদান হয়। ব্যস্ত মানুহ জনক আমনি কৰিবলৈ সত নাযায় তাই। কিজানি তেখেতৰ সৃষ্টিত বাধা হয়।

নিদিষ্ট সময়ত সভাখন আৰম্ভ হ'ল যদিও ঘোষক গৰাকীয়ে সম্বৰ্ধনা অনুষ্ঠানত প্ৰিয় সাহিত্যিকজনৰ নাম ঘোষণা নকৰাত উপাসনা মনে মনে হতাশ হয়। তথাপি কোনো মতে নিজকে চম্ভালি সভাৰ কামত সহযোগ কৰি গ'ল। সন্ধিয়াৰ আগে আগে গধূৰ মন এটা লৈ ঘৰলৈ উভতি আহিল তাই। উপসনাৰ মাকে জীয়েক সোনকালে ঘৰলৈ অহাত আচৰিত হ'লেও পেটে পেটে কিন্তু ভালেই পালে। ছোৱালী মানুহ বেছি দেৰিলৈ ঘৰৰ বাহিৰত থকাটো তেওঁ একেবাৰে পছন্দ নকৰে।

ঘৰ পাই কাপোৰ সাজ সলাই হাত, ভৰি ধুই থাকোঁতেই তাইৰ ফোনতো বাজি উঠে। এটা অচিনাকী নম্বৰ জিলিকি থাকে মোৱাইলৰ স্ক্ৰীনত। তাই ফোন কাটি দিয়ে। পুনৰ একেটা নম্বৰ জিলিকি থাকে। অশান্ত মনেৰে এইবাৰ ফোনটো ৰিচিভ কৰিলে তাই। সিফালৰ পৰা ভাঁহি আহিল এক অচিনাকী পুৰুষ কণ্ঠ। প্লিজ ফোন নাকাটিবা উপা, মই অনিৰুদ্ধ বৰুৱাই কৈছো। তোমাৰ ফোন নম্বৰ কোনো মতে বিচাৰি লৈ ফোন কৰিছো। নবাৰুন দুৱাৰ মোৰ ছদ্মনাম। তোমাক ছাৰপ্ৰাইজ দিম বুলিয়ে কোৱা নাছিলো জানা। তোমাক লোভকণ মনৰ পৰা সামৰিব নোৱাৰি ! অলপ ধেমালি কৰিলোঁ। আৰু এটা কথা কওঁ দেই, তোমাক খং কৰিলে কিন্তু ধুনীয়া দেখি। অজানিতে কৰা ভুলৰ বাবে ক্ষমা কৰি দিয়ানা। প্লিজ খং কৰি নাথাকিবা দেই। উপা তুমি শুনিছানে। কিবা এটাটো কোৱা। আজি মই বন্ধু এজনৰ ঘৰত থাকিম আৰু কালিলৈ তোমাক লগ কৰিম। তোমাৰ লগত বহুত কথা পাতিবলৈ আছে। পুৱা এই নম্বৰতে কল কৰি জনাবা। বহুত আশাৰে বৈ আছো তোমালৈ। যদি কিবা আপত্তি ও আছে কবা। লগ নকৰাকৈ গুচি যাম। আজীৱন অপেক্ষা কৰিম তোমাৰ বাবে। সিদ্ধান্ত তোমাৰ হাতত বুলি ফোন কাটিলে অনিৰুদ্ধই।

অকনো লুকঢাক নকৰাকৈ অনিৰুদ্ধই কথাবোৰ এফালৰ পৰা কৈ গ'ল। তাৰ কথা বতৰাত সঁচাই এক সন্মোহনীয় গুন আছে। অনিৰুদ্ধৰ কথাই উপাৰ অভিমান বোৰ নিমিষতে মাদুৰি তুলাৰ দৰে উৰাই নিলে। এই মানুহজনক চোন তাইবেছি সময় খং কৰি ও থাকিব নোৱাৰে। নাভাবো বুলি ও তাইৰ মন সাগৰত এতিয়া অনিৰুদ্ধৰ অগাধ বিচৰণ। উপাৰ নিৰস জীৱনলৈ অনিৰুদ্ধই লৈ আনিছে ৰজনীগন্ধা সুৱাস। তাইৰ চৌপাশে বিয়পি পৰা ৰজনী গন্ধাৰ সুঘ্ৰাণ বুকু ভৰি উজাই লৈ মধুৰ আবেসত চকু দুটা মুদি দিলে। দুচকু ৰে বৈ আহিল দুধাৰি সুখৰ নিজৰা। অপেক্ষা মাথো এটি প্ৰানৱন্ত পুৱাৰ।

# দুপৰ নিশা মোৰ সংগী

প্ৰাণ প্ৰতিমা বড়া, গুৱাহাটী



দুপৰ নিশা মোৰ সংগী
এটি সুগন্ধি
পল অনুপলে অনুভৱ কৰোঁ মই
তোমাৰ সান্নিধ্য
শৰত মানে যেন প্ৰেমৰ সময়
তোমাৰ সান্নিধ্যই ব্যাকুল কৰে মন
জোনাকীৰ মূল্য জানো পূৰ্ণিমা নিশাত ??
অমাৱস্যাৰ কোনোবা দুপৰ নিশাত
তোমাৰ চিকমিকনিয়ে বিলায়
এবুকু সতেজ উশাহ
উটি ভাঁহি ফুৰো
তোমাৰ আৱেগৰ কল্লোলত
তোমাক অনুভৱ কৰোঁ
গভীৰৰ পৰা গভীৰতালৈ ...
মাজনিশাৰ এটি সুগন্ধি
আৰু মোৰ অনুভৱ
বিষাদৰ জয়গান সামৰিব খোজোঁ
তোমাৰ বুকুত
তুমিয়ে শাৰদী ৰাণী
তোমাৰ মূল্য মাথোঁ নিশাৰ দুপৰত!!

# মানুহৰ সহ্য শক্তি

সমূহও নথকা নহয়। সকলোৱে নিজৰ জাতি-ধৰ্মক উচ্চস্থানত ৰাখিবলৈ গৈ আনৰ জাতি-ধৰ্মৰ তুচ্ছ-তাচ্ছিল্য কৰাৰ ফলতে সৃষ্টি হয় এই সংঘাত সমূহৰ। আমি সমানে সকলো ধৰ্ম কিয় আঁকোৱালি লব নোৱাৰোঁ? এটা জাতি অথবা জনগোষ্ঠীৰ পৰস্পৰ মনোমালিন্যইও কেতিয়াবা মাৰাত্মক সংঘাতৰ সৃষ্টি কৰিব পাৰে। এই সমূহ বস্তুৱেই আমাৰ মাজত এটা অস্থিৰ আৰু হিংসাত্মক পৰিৱেশৰ সৃষ্টি কৰি অহা নাই নে? এনে অস্থিৰ পৰিৱেশেই সমাজৰ সৃষ্টিশীলতাৰ হেঙাৰ হোৱা নাই নে? এই অস্থিৰ পৰিৱেশ সমূহেই সদায় আমাৰ সমাজখনক পিছুৱাই আনিছে আৰু লগতে ইয়াৰ মান হ্ৰাস পোৱাইছে। সেয়েহে যুৱ প্ৰজন্মৰ এইয়াই কৰ্তব্য যে সকলোবোৰ অস্থিৰতা দূৰ কৰি সমাজখনক এটা পৰিস্কাৰ আৰু নিকা দিশত আগুৱাই লৈ যোৱা ।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286